# প্ৰকৃতি-আধাৰিত সমাধানৰ বাবে আই ইউ চি এনৰ গোলকীয় মানক

প্ৰকৃতি-আধাৰিত সমাধানৰ (এনবিএছ) সত্যাপন,
আৰ্হি নিৰ্মাণ আৰু মাত্ৰা বৃদ্ধিৰ বাবে
ব্যৱহাৰকৰ্তা-অনুকূল ফ্ৰেমৱৰ্ক

প্ৰথম প্ৰকাশ




প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ আন্তৰ্জাতিক সংঘ

## আই ইউ চি এন

আই ইউ চি এন (IUCN)  হ’ল এক সদস্য পদৰ জৰিয়তে গঠিত সংস্থা, যি চৰকাৰী আৰু নাগৰিক সমাজৰ সংগঠন উভয়ৰে সমষ্টি। এই সংস্থাই চৰকাৰী, ব্যক্তিগত আৰু অনা-চৰকাৰী সংস্থাক এনে বিভিন্ন জ্ঞান আৰু আহিলাৰ যোগান ধৰে, যিয়ে মানৱ উন্নয়ন, অৰ্থনৈতিক বিকাশ তথা প্ৰকৃতি সংৰক্ষণ – কেওটা লক্ষ্যত একে সময়তে উপনীত হোৱাত সহায় কৰে।

১৯৪৮ চনত প্ৰতিষ্ঠিত, আই ইউ চি এন হ’ল বৰ্তমান বিশ্বৰ সৰ্ববৃহৎ আৰু আটাইতকৈ বৈচিত্ৰ্যময় পাৰিৱেশিক নেটৱৰ্ক, যিয়ে ১৪০০তকৈও অধিক সদস্য সংগঠন আৰু ১৫,০০০ৰো অধিক বিশেষজ্ঞৰ জ্ঞান, সম্পদ তথা সুলভতাক সফলভাৱে আহৰণ কৰি নিজৰ কাৰ্য্য আগবঢ়াই নিছে। সংৰক্ষণ বিষয়ক তথ্য, মূল্যায়ন তথা বিশ্লেষণৰ ই অগ্ৰণী যোগান ধৰোঁতা। ইয়াৰ সদস্য পদাসীনসকলৰ বিস্তাৰিত ভেটিয়ে সংগঠনটোক বিভিন্ন দিশৰ শ্ৰেষ্ঠতম কাৰ্য্যপন্থা, আহিলা আৰু আন্তঃৰাষ্ট্ৰীয় মানক আদিৰ বিশ্বাসযোগ্য ভাণ্ডাৰ তথা এক ইনকুবেটৰ সংগঠন হিচাপে ভূমিকা পালনত সহায় কৰি আহিছে।

আই ইউ চি এনে এক নিৰপেক্ষ ক্ষেত্ৰ হিচাপে নিজৰ দায়িত্ব পালন কৰে, য’ত বিভিন্ন চৰকাৰ, অনা চৰকাৰী সংস্থা, বিজ্ঞানীসকল, ব্যৱসায় প্ৰতিষ্ঠান, স্থানীয় ৰাইজ, থলুৱা জনগোষ্ঠীয় সংগঠন তথা অন্যান্য বিভিন্ন অংশীদাৰে একেলগে পাৰিৱেশিক প্ৰত্যাহ্বানৰ সতে মোকাবিলা কৰিবলৈ সমাধান সৃষ্টি তথা ৰূপায়নৰ বাবে কাম কৰিব পাৰে আৰু বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হ’ব পাৰে।

বিভিন্ন সহযোগী আৰু সমৰ্থকৰ সতে জড়িত হৈ আই ইউ চি এনে সমগ্ৰ বিশ্বতে এক বিশাল মাত্ৰাত আৰু বৈচিত্ৰ্যময় সংৰক্ষণমূলক প্ৰকল্প ৰূপায়নত ব্ৰতী হৈ আছে। স্থানীয় জনসমষ্টিসমূহৰ পৰম্পৰাগত জ্ঞানৰ সতে শেহতীয়া বৈজ্ঞানিক ধাৰণাৰাশিৰ সমন্বয়ত এই প্ৰকল্পবোৰে আবাসস্থলৰ বিলুপ্তি নোহোৱা কৰা, পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ কৰা তথা মানুহৰ কল্যাণ বৃদ্ধিৰ বাবে কাম কৰি আহিছে।

www.iucn.org
https://twitter.com/IUCN/

# প্ৰকৃতি-আধাৰিত সমাধানৰ বাবে আই ইউ চি এনৰ গোলকীয় মানক

প্ৰকৃতি-আধাৰিত সমাধানৰ (এনবিএছ) সত্যাপন, আৰ্হি নিৰ্মাণ আৰু মাত্ৰা বৃদ্ধিৰ বাবে ব্যৱহাৰকৰ্তা-অনুকূল ফ্ৰেমৱৰ্ক

প্ৰথম প্ৰকাশ

এই গ্ৰন্থত উল্লেখিত ভৌগোলিক ক্ষেত্ৰসমূহৰ নামাকৰণ তথা ইয়াত উত্থাপিত বিষয়বস্তুৰ উল্লেখে আই ইউ চি এন বা অন্যান্য সহযোগী সংগঠনৰ তৰফৰ পৰা সংশ্লিষ্ট ভৌগোলিক ক্ষেত্ৰৰ সীমান্ত বা সীমা সম্পৰ্কীয় কোনো বিষয় অথবা কোনো দেশ, ৰাজ্য বা এলেকা বা তাৰ কোনো কৰ্তৃপক্ষৰ আইনী স্থিতি সম্পৰ্কে কোনো মতামতক প্ৰতিনিধিত্ব নকৰে।

এই প্ৰকাশনাত সন্নিৱিষ্ট মতামতে আই ইউ চি এন বা অন্যান্য অংশগ্ৰহণকাৰী সংস্থাৰ মতামতক প্ৰতিফলিত নকৰে।

এই পৰিকাঠামোৰ বিকাশ কাৰ্য্যত অংশীদাৰ হিচাপে মূল বিত্তীয় সহযোগিতা আগবঢ়োৱা সংস্থাসমূহৰ অৱদানক আই ইউ চি এনে কৃতজ্ঞতাৰে উল্লেখ কৰিছে : ফিনলেণ্ডৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়; ফ্ৰান্স চৰকাৰ আৰু ফ্ৰেন্স ডেভলপমেণ্ট এজেন্সী (AFD); কোৰিয়া ৰিপাব্লিকৰ পৰিৱেশন মন্ত্ৰালয়; দ্য নৰৱেয়িয়ান এজেন্সী ফৰ ডেভলপমেণ্ট ক'অপাৰেচন (Norad), দি চুইডিছ ইণ্টাৰনেচনেল ডেভলপমেণ্ট ক'অপাৰেচন এজেন্সী (Sida), দি চুইছ এজেন্সী ফৰ ডেভলপমেণ্ট এণ্ড ক'অপাৰেচন (SDC) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ গৃহবিভাগ।

এই প্ৰকৃতি-আধাৰিত সমাধানৰ গোলকীয় মানকসমূহৰ সতে আই ইউ চি এনৰ প্ৰকৃতি-আধাৰিত সমাধানসমূহ ব্যৱহাৰৰ নিৰ্দেশনাৱলীকো সন্নিৱিষ্ট কৰা হৈছে (https://doi.org/10.2305/IUCN.CH.2020.09.en), যিয়ে ব্যৱহাৰকাৰীসকলৰ বাবে বৈজ্ঞানিক ভেটি আৰু দিকদৰ্শন হিচাপে কাম কৰিব।

এই প্ৰকাশনৰ কিছু অংশ কাম প্ৰকৃতি আৰু উন্নয়নৰ হকে ফ্ৰান্স-আই ইউ চি এনৰ যৌথ সহযোগিতাৰ মাধ্যমত লাভ কৰা ফ্ৰেন্স ডেভলেপমেণ্ট এজেন্সী (AFD)ৰ বিত্তীয় সাহায্যৰ বাবে সম্ভৱপৰ হৈ উঠিছে।

এই প্ৰকাশন, "IUCN (2023). Global Standard for Nature-based Solutions. A user-friendly framework for the verification, design and scaling up of NbS. First edition. Gland, Switzerland: IUCN. https://doi.org/10.2305/IUCN.CH.2020.08.en" ৰ প্ৰথম অসমীয়া সংস্কৰণৰ জৰিয়তে অসম তথা উত্তৰ-পূব ভাৰতৰ লোকক প্ৰকৃতি-আধাৰিত সমাধানৰ গোলকীয় মানৰ বিষয়ে ধাৰণা দিবলৈ আৰণ্যকৰ পৰা প্ৰকাশ কৰা হৈছে।

মূল প্ৰকাশক : আই ইউ চি এন, গ্লেণ্ড, চুইজাৰলেণ্ড

গ্ৰন্থস্বত্ব : © ২০২০ আইইউচিএন, প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ আন্তৰ্জাতিক সংঘ

© ২০২৪ আইইউচিএন, প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ আন্তৰ্জাতিক সংঘ, অসমীয়া সংস্কৰণ

উল্লেখ : আই ইউ চি এন (২০২৪) প্ৰকৃতি-আধাৰিত সমাধানৰ গোলকীয় মানক। এন বি এছৰ সত্যাপন, আহিঁ প্ৰস্তুতি আৰু মাত্ৰা বৃদ্ধিৰ বাবে এক ব্যৱহাৰকৰ্তা-অনুকূল ফ্ৰেমৱৰ্ক। প্ৰথম প্ৰকাশ। গ্লেণ্ড, চুইজাৰলেণ্ড : আই ইউ চি এন

পুনঃপ্ৰকাশন স্বত্বাধিকাৰীৰ আগতীয়া লিখিত অনুমতি অবিহনেও শৈক্ষিক বা আন কোনো অব্যৱসায়িক উদ্দেশ্যত এই গ্ৰন্থৰ ছপা বা আন কোনো উপায়েৰে প্ৰসাৰ কৰিব পৰা যাব, যদিহে উৎসটিক সম্পূৰ্ণৰূপে উল্লেখ কৰা হয়। কিন্তু স্বত্বাধিকাৰীৰ আগতীয়া অনুমতি নোহোৱাকৈ পুনঃ বিক্ৰী বা আন ব্যৱসায়িক উদ্দেশ্যত ইয়াৰ পুনঃ ছপা বা পুনঃ সৃষ্টি নিষিদ্ধ।

অসমীয়া অনুবাদ : মানসী গোস্বামী, জয়ন্ত কুমাৰ পাঠক, ড. বিভূতি প্ৰসাদ লহকৰ, আৰণ্যক

বেটুপাতৰ ব্যাখ্যাচিত্ৰ: Defining Nature-based Solutions © IUCN

অলংকৰণ: Imre Sebestyén jr / Unit Graphics

ISBN : 978-2-8317-2296-2

DOI : https://doi.org/10.2305/ZUBS2470

# সূচীপত্ৰ

**নথিপত্ৰৰ ইতিহাস** ........ v

**প্ৰকৃতি-আধাৰিত সমাধানৰ বাবে গোলকীয় মানক** ........ 1

পাতনি ........ 1

আমাক কিয় এই মানকসমূহ লাগে? ........ 2

এই মানকবোৰে কি কৰে ? ........ 2

এই মানকবোৰ কোনে ব্যৱহাৰ কৰিব পাৰে ? ........ 3

এই মানকসমূহ কেনেধৰণৰ ? ........ 3

এই মানকসমূহক কিদৰে ব্যৱহাৰ কৰিব পাৰি ? ........ 4

এন বি এছৰ কাৰণে এক শক্তিশালী গোলকীয় মানক নিশ্চিতকৰণ ........ 5

**চৰ্ত ১ : প্ৰকৃতি-আধাৰিত সমাধান বা এন বি এছে সামাজিক প্ৰত্যাহ্বানসমূহ অতি কাৰ্য্যকৰীভাৱে মোকাবিলা কৰে** ........ 6

সামাজিক প্ৰত্যাহ্বানসমূহ ........ 7

নমুনা অধ্যয়ন : সামাজিক প্ৰত্যাহ্বান একোটাৰ চিনাক্তকৰণ ........ 7

**চৰ্ত ২: প্ৰকৃতি-আধাৰিত সমাধানৰ (এন বি এছ) আৰ্হিসমূহ সদায়ে মাত্ৰাভিত্তিক** ........ 8

মাত্ৰা সাপেক্ষে আৰ্হি প্ৰস্তুতকৰণ ........ 9

নমুনা অধ্যয়ন : মাত্ৰা সাপেক্ষে আৰ্হি প্ৰস্তুতি – উপযুক্ত মাত্ৰাত সমাধান পাবৰ বাবে ইতিমধ্যে প্ৰস্তুত কৰি থোৱা জল পৰিকাঠামোৰ সতে প্ৰকৃতি-আধাৰিত সমাধানৰ (এন বি এছ) সংমিশ্ৰণ ........ 9

**চৰ্ত ৩: প্ৰকৃতি-আধাৰিত সমাধানে সামগ্ৰিকভাৱে জীৱবৈচিত্ৰ্য আৰু পৰিস্থিতিতন্ত্ৰৰ স্বকীয়তাক লাভান্বিত কৰে** ........ 10

জীৱবৈচিত্ৰ্যৰ সৰ্বমুঠ লাভ ........ 11

নমুনা অধ্যয়ন : জীৱবৈচিত্ৰ্য সুফলৰ প্ৰদৰ্শন : এন বি এছ ব্যৱহাৰ কৰি কৰা বৃহৎ-মাত্ৰিক উপকূল ভূমিৰ পুনঃস্থাপনে জীৱবৈচিত্ৰ্যৰ বাবে বাসস্থলীৰ পুনৰ্নিমাণ কৰিব পাৰে ........ 11

**চৰ্ত ৪ : প্ৰকৃতি-আধাৰিত সমাধানসমূহ অৰ্থনৈতিকভাৱে সম্ভাৱনাময়** ........ 12

অৰ্থনৈতিক সম্ভাৱনীয়তা ........ 13

নমুনা অধ্যয়ন: জলবায়ু সংকটৰ বাবে এন বি এছ হিচাপে উপকূলীয় পৰিস্থিতিতন্ত্ৰৰ ব্যৱস্থাপনা ........ 13

**চৰ্ত ৫ : এন বি এছসমূহ সৰ্ব-সন্নিহিত, স্বচ্ছ আৰু সৰলীকৰণ দক্ষ প্ৰশাসনিক প্ৰক্ৰিয়াৰ ওপৰত আধাৰিত . . . 14**
সমন্বিত প্ৰশাসন. . . 15
নমুনা অধ্যয়ন: চিণ্ট এণ্ড্ৰিজত নগৰীয়া এন বি এছৰ সহযোগিতামূলক পৰিকল্পনা প্ৰস্তুতি আৰু ৰূপায়ণ. . . 15
**চৰ্ত ৬ : এন বি এছসমূহে এইবোৰৰ প্ৰাথমিক লক্ষ্য(সমূহ)ত উপনীত হোৱা আৰু নানাবিধ সুফলৰ মাজত সমানভাৱে সমতা বৰ্তাই ৰাখে . . . 16**
সমতাৰ আদান-প্ৰদান . . . 17
নমুনা অধ্যয়ন: শিকিবৰ বাবে ব্যৱধানৰ চিনাক্তকৰণ – বাংলাদেশত খাদ্য নিৰাপত্তা আৰু মাছ সংৰক্ষণ . . . 17
**চৰ্ত ৭ : এন বি এছসমূহক প্ৰমাণৰ ওপৰত ভিত্তি কৰি অভিযোজনসম্ভৱ হোৱাকৈ ব্যৱস্থাপনা কৰা হয় . . . 18**
অভিযোজন-অনুকূল ব্যৱস্থাপনা. . . 19
মুনা অধ্যয়ন: শ্বিনয়াংগা. . . 19
**চৰ্ত ৮: এন বি এছসমূহ হ’ল বহনক্ষম আৰু এইবোৰক একোটা উপযুক্ত প্ৰাসংগিক বিষয়ত সৰ্বজনগ্ৰহণযোগ্য হিচাপে বিবেচনা কৰা হয়. . . . 20**
মূলসূঁতিত সন্নিৰিষ্টকৰণ আৰু বহনক্ষমতা . . . 21
নমুনা অধ্যয়ন : এল চালভাড’ৰ বন প্ৰত্যাহ্বান . . . 21

# নথিপত্ৰৰ ইতিহাস

| প্ৰকৃতি-আধাৰিত সমাধানৰ বাবে আই ইউ চি এন ৰ গোলকীয় মানক | |
|---|---|
| সম্পাদনা | ১.০ |
| মূল ভাষা | ইংৰাজী। অন্য ভাষালৈ অনুবাদ উপলব্ধ |
| দায়িত্বশীল বিভাগ | গ্লোৱেল ইক'চিষ্টেম মেনেজমেণ্ট প্ৰগ্ৰাম, আই ইউ চি এন কমিছন অন ইক'চিষ্টেম মেনেজমেণ্ট |
| প্ৰস্তুতি | আই ইউ চি এন ৰ প্ৰকৃতি-আধাৰিত সমাধান গোট, আই ইউ চি এন কমিছন অন ইক'চিষ্টেম মেনেজমেণ্ট |
| ভাষা (শ্ৰেণীবিন্যাস) | প্ৰকৃতি-আধাৰিত সমাধান,  মানক, পৰিচালনাৰ কাৰ্যকাৰিতা, নিশ্চয়তা |
| অনুমোদনৰ তাৰিখ | ফেব্ৰুৱাৰী, ২০২০ |
| অনুমোদক | আই ইউ চি এন  কাউন্সিল |
| উদ্দেশ্য | প্ৰকৃতি-আধাৰিত সমাধানৰ আৰ্হি, সত্যাপন আৰু প্ৰসাৰৰ বাবে নিৰ্দেশনা আৰু বিশ্বমানৰ ৰূপৰেখা প্ৰদান কৰা। প্ৰকৃতি-আধাৰিত সমাধানৰ কাৰ্যপন্থাৰ সামৰ্থ জুখিবলৈ ব্যৱহৃত মানকে প্ৰকৃতি-আধাৰিত সমাধানৰ তত্বই সমৰ্থন কৰা বিশ্বস্তৰৰ চৰ্তাৱলী তথা সূচকসমূহ অন্তৰ্ভুক্ত কৰে |
| অংশাধীন | আই ইউ চি এন ৰ প্ৰকৃতি-আধাৰিত সমাধান গোট |
| বিধিগত বাধ্যতা | আই ইউ চি এন এনভাইৰনমেণ্টেল এণ্ড ছোচিয়েল মেনেজমেণ্ট চিষ্টেম (ESMS)<br>আই এচ ই এ এল (ISEAL) ষ্টেণ্ডাৰ্ড – ছেটিং কোড অব গুড প্ৰেক্টিছ |
| সংশ্লিষ্ট নথিপত্ৰ | প্ৰকৃতি-আধাৰিত সমাধানৰ বাবে আই ইউ চি এন ৰ গোলকীয় মানক , মূল নথিপত্ৰৰ গোলকীয় মানক |
| বিতৰণ | আই ইউ চি এন কম্পাছ, আই ইউ চি এন ইউনিয়ন পৰ্টেল, আই ইউ চি এন ৱেবছাইট |

| নথিপত্ৰৰ ইতিহাস | | বৰ্তমানৰ প্ৰথম প্ৰকাশ |
|---|---|---|
| সংস্কৰণ | প্ৰকাশৰ সময় | সংশোধনৰ সাৰাংশ |
| ০.১ | অক্টোবৰ, ২০১৮ | আই ইউ চি এন ৰ সদস্য, আয়োগ সমূহ আৰু সম্পাদক বৰ্গক আভ্যন্তৰীণভাৱে দিয়া হয়। |
| ০.২ | ডিচেম্বৰ, ২০১৮ | আভ্যন্তৰীণভাৱে দিয়া মন্তব্যৰ ওপৰত ভিত্তি কৰি সাল-সলনি কৰা হয় আৰু নতুন সংস্কৰণ প্ৰথম ৰাজহুৱা পৰামৰ্শৰ কাৰণে এমাহৰ বাবে প্ৰকাশ কৰা হয়। |
| ০.৩ | জানুৱাৰী, ২০১৯ | বাহ্যিকভাৱে দিয়া মন্তব্যৰ ওপৰত ভিত্তি কৰি গুৰুত্বপূৰ্ণ সাল-সলনি কৰা হয় আৰু নতুন সংস্কৰণ দ্বিতীয় ৰাজহুৱা পৰামৰ্শৰ কাৰণে দুমাহৰ বাবে প্ৰকাশ কৰা হয়। |
| ০.৪ | ফেব্ৰুৱাৰী, ২০২০ | দ্বিতীয় ৰাজহুৱা পৰামৰ্শ অনুসৰি সাল-সলনি কৰা হয় আৰু  তাৰপিছত আই ইউ চি এন আয়োগে গ্ৰহণ কৰি চুইজাৰলেণ্ডৰ গ্লাণ্ডত থকা আই ইউ চি এনৰ বিশ্ব মুখ্য কাৰ্যালয়ত হোৱা ৯৮ সংখ্যক সভাত ইয়াৰ প্ৰকাশৰ বাবে অনুমোদন জনায়। |
| ০.৫ | মাৰ্চ, ২০২০ | বহিৰ্বিশেষজ্ঞৰ দলৰ পৰ্যালোচনাৰ ওপৰত ভিত্তি কৰি সংশোধন কৰা হয় |

# প্ৰকৃতি-আধাৰিত সমাধানৰ বাবে গোলকীয় মানক

## পাতনি

পটভূমি

বিংশ শতিকাৰ অধিকাংশ সময়ে, সিদ্ধান্ত-গ্ৰহণকাৰীসকলে প্ৰকৃতি সংৰক্ষণক ৰাষ্ট্ৰীয় আৰু গোলকীয় কাৰ্য্যসূচীসমূহত সদায়ে গৌণ স্থানত ৰাখি আহিছে। খুব বেছি, প্ৰকৃতি সংৰক্ষণক কেৱল এক লেখত ল'বলগীয়া আগ্ৰহৰ বিষয় বুলি অথবা কেতিয়াবা কেতিয়াবা ইয়াক বিকাশৰ বাটত প্ৰতিবন্ধক হিচাপেও গণ্য কৰি আহিছে। কিন্তু বৈজ্ঞানিক চিন্তা-চৰ্চাৰ উত্তৰণৰ লগে লগে এইধৰণৰ দৃষ্টিভংগীবোৰৰ আঁসোৱাহসমূহ আঙুলিয়াই দিয়াৰ লগতে এইটোও সূচায় যে “মানুহৰ জীৱন নিৰ্বাহৰ লগতে জীৱনৰ গুণগত মান বৰ্তাই ৰাখিবলৈ প্ৰকৃতি অত্যাৱশ্যকীয়”। অন্যথা জীৱবৈচিত্ৰ্যৰ হানিকাৰক অবহনক্ষম অৰ্থনৈতিক উন্নয়নৰ আৰ্হিৰ সৃষ্টিৰ মাজেৰে জলবায়ু পৰিৱৰ্তন, খাদ্য নিৰাপত্তা আৰু দূৰ্যোগ শংকা প্ৰশমনৰ দৰে গুৰুতৰ সামাজিক প্ৰত্যাহ্বানবোৰৰ সমাধানৰ বাবে প্ৰকৃতিৰ আশ্ৰয় লোৱাৰ পথো ৰুদ্ধ হৈ পৰে।

প্ৰাকৃতিক মূলধন বা সম্পদ অৰ্থাৎ পৃথিৱীৰ ভূতাত্বিক সম্পদ, মাটি, বায়ু, পানী তথা সকলো জীৱকে সামৰি পৃথিৱীৰ যি প্ৰাকৃতিক সম্পদভাণ্ডাৰ, তাৰ বহনক্ষম বিনিয়োগৰ ৰাষ্ট্ৰসংঘই নিৰ্ধাৰণ কৰা বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহত উপনীত হোৱাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। কেবা দশকজুৰি, আই ইউ চি এনে উদ্ধাৰনীমূলক প্ৰকৃতি সংৰক্ষণৰ বিভিন্ন কাৰ্য্যসূচী হাতত লৈ আহিছে। এনে কাৰ্য্যসূচীয়ে মানুহৰ বাবে বাস্তৱিক আৰু বহনক্ষম সুবিধাৰ সৃষ্টি কৰাৰ লগতে প্ৰকৃতিৰ সুৰক্ষা, ব্যৱস্থাপনা তথা পুনৰ্স্থাপনাতো সহায় কৰি আহিছে। এই ধৰণৰ কাৰ্য্যপ্ৰণালীসমূহক বৰ্তমানে সামগ্ৰিকভাৱে প্ৰকৃতি আধাৰিত সমাধান (চিত্ৰ – ১) বুলি কোৱা হয়। এই কথা বিভিন্ন অধ্যয়নৰ জৰিয়তে প্ৰমাণিত হৈ আহিছে যে প্ৰকৃতি-আধাৰিত সমাধানসমূহ যেনে জলচ্ছেদ সংৰক্ষণ আদিয়ে স্থানীয় ৰাইজৰ বাবে উপাৰ্জনৰ পথ মুকলি কৰাৰ লগতে এই সম্পদবোৰৰ ওপৰত নিজৰ স্বাস্থ্য আৰু কল্যাণৰ বাবে নিৰ্ভৰশীল পৌৰ নিকায়সমূহকো সহায় কৰে। অৱক্ষয়প্ৰাপ্ত ভূমি তথা জলভূমিৰ তটৰেখাৰ (shoreline) পুনৰ্সংস্থাপনত বিনিয়োগ কৰাৰ পৰা বান্ধ আৰু মথাউৰিৰ দৰে পাৰম্পৰিক পৰিকাঠামোৰ কাৰ্য্যদক্ষতাক সৰ্বোত্তম কৰালৈকে, বৰ্তমানে বিভিন্ন দিশত এনে অনেক প্ৰমাণ পোৱা গৈছে যিয়ে প্ৰতীয়মান কৰে যে আমাৰ সামাজিক প্ৰয়োজনসমূহ পূৰোৱাৰ ক্ষেত্ৰত প্ৰকৃতিয়ে এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।




**চিত্ৰ -১ : “প্ৰকৃতি আধাৰিত সমাধানসমূহ হ'ল সেই সকলো কাৰ্য্যপন্থা যিবোৰৰ জৰিয়তে প্ৰাকৃতিক আৰু পৰিৱৰ্তিত পৰিস্থিতিতন্ত্ৰসমূহক এনেধৰণেৰে সুৰক্ষা দিয়া, বহনক্ষমভাৱে পৰিচালনা কৰা তথা পুনৰোজ্জীৱিত কৰা যাতে সামাজিক প্ৰত্যাহ্বানসমূহক এইবোৰে কাৰ্য্যকৰীভাৱে আৰু খাপ খুৱাকৈ মোকাবিলা কৰিব পাৰে যাৰ ফলত মানুহৰ কল্যাণ তথা জীৱবৈচিত্ৰ্যৰো উপকাৰ সাধন হয়।” (আই ইউ চি এন ২০১৬)**

আই ইউ চি এনে বিশ্বাস কৰে যে মুখ্য অৰ্থনৈতিক ক্ষেত্ৰসমূহত প্ৰকৃতি সংৰক্ষণক মূলসূঁতিৰ বিষয়ৰূপে সন্নিৱিষ্ট কৰাটো অতি আৱশ্যকীয়। ক্ৰমান্বয়ে অধিকাংশ চৰকাৰ তথা ব্যৱসায়িক সংস্থাসমূহে উপলব্ধি কৰিবলৈ লৈছে যে, এই এন বি এছসমূহ কেৱল ফলদায়ক আহিলাই নহয়, বৰঞ্চ জীৱবৈচিত্ৰ্য বিলুপ্তি আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বিশ্বৰ সংকটৰ সতে মুখামুখি হোৱাৰ বাবেও অত্যন্ত গুৰুত্বপূৰ্ণ।

গৱেষণাৰ জৰিয়তে এয়া জানিব পৰা গৈছে যে, গোলকীয় উষ্ণতাবৃদ্ধিক ২° ছে.ৰ তলত স্থিৰ কৰিবলৈ হ'লে ২০৩০ চনৰ ভিতৰত যিবিলাক মিতব্যয়ী প্ৰতিৰোধ পদ্ধতি আছে, তাৰে ৩০% এন বি এছৰ জৰিয়তে আমি পাব পাৰোঁ। তদুপৰি এন বি এছসমূহে জীৱবৈচিত্ৰ্যৰ সবাতোকৈ ডাঙৰ ভাবুকি স্বৰূপ জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ তথা তাৰ পৰা হ'ব পৰা দীৰ্ঘকালীন দুৰ্যোগৰ বিপৰীতে এক শক্তিশালী প্ৰতিৰোধ প্ৰক্ৰিয়া গঠন কৰিব পাৰে। কেৱল পৰম্পৰাগতভাৱে প্ৰচলিত নিৰ্মিত বা আভিযান্ত্ৰিক সমাধানৰ ওপৰত নিৰ্ভৰ কৰাৰ বিপৰীতে পৰিস্থিতিতন্ত্ৰৰ স'তে খাপ খাই কাম কৰাৰ উপায় উলিয়াই ল'ব পাৰিলে, সিয়ে মানৱ সমাজক জলবায়ু পৰিৱৰ্তনৰ ক্ষয়ংকৰী প্ৰভাৱসমূহৰ স'তে অভিযোজিত হোৱাতো সহায় কৰিব পাৰে। মহানগৰসমূহক প্ৰাকৃতিক সেউজকৰণৰ মাজেৰে যথেষ্ট পৰিমাণে শক্তি ৰাহি কৰাৰ লগতে স্বাস্থ্যৰ ক্ষেত্ৰতো সুফল লাভ কৰিব পাৰি।

বিশ্বৰ বিভিন্ন দেশে ইতিমধ্যে এন বি এছক নিজৰ নিজৰ দেশৰ ৰাষ্ট্ৰীয় জলবায়ু পৰিৱৰ্তন বিষয়ক কৌশলত অন্তৰ্ভুক্ত কৰিবৰ বাবে কাৰ্য্যপন্থা হাতত লৈছে, আৰু সেয়ে এয়া নিশ্চিত কৰাটো জৰুৰী যে এই কাৰ্য্যপন্থাসমূহ সৰ্বোৎকৃষ্ট চৰ্ত আৰু পদ্ধতিৰ ওপৰত আধাৰ কৰি বিকশিত আৰু ৰূপায়িত হওক। এই কথাটোকে সুনিশ্চিত কৰিবলৈ আই ইউ চি এনে ২০১৬ চনত প্ৰথমবাৰলৈ এন বি এছৰ প্ৰথমটো গোলকীয় সংজ্ঞা নিৰ্ধাৰণ কৰে। এই অনুসৰি এন বি এছ হ'ল – "প্ৰাকৃতিক বা পৰিৱৰ্তিত পৰিস্থিতিতন্ত্ৰবোৰক সুৰক্ষা দিবলৈ, বহনক্ষমভাৱে ব্যৱহাৰ তথা পৰিচালনা কৰিবলৈ আৰু পুনৰুজ্জীৱিত কৰিবলৈ লোৱা কাৰ্য্য যিয়ে সুচল আৰু ফলপ্ৰসুভাৱে সামাজিক প্ৰত্যাহ্বানসমূহক মোকাবিলা কৰাৰ লগতে মানৱ কল্যাণ সাধন তথা আৰু জীৱবৈচিত্ৰ্যলৈকো সুফল প্ৰদান কৰে।"

এন বি এছৰ প্ৰাথমিক বিষয়বোৰ আহৰণ কৰা হয় অৰণ্যৰ ভূদৰ্শ বা লেণ্ডস্কেপৰ পুনৰ্সংস্থাপন, সমন্বিত জলসম্পদ ব্যৱস্থাপনা, পৰিস্থিতিতন্ত্ৰ নিৰ্ভৰ অভিযোজন আৰু প্ৰতিৰোধ তথা পৰিস্থিতিতন্ত্ৰ নিৰ্ভৰ দুৰ্যোগ শংকা হ্ৰাস আদিৰ দৰে ইতিমধ্যে প্ৰচলিত বিভিন্ন কাৰ্য্যপদ্ধতিৰ পৰা। ইয়াৰে বহুখিনি আকৌ ১৯৯০ৰ শেষৰ আৰু ২০০০ চনৰ প্ৰথমাৰ্ধত আই ইউ চি এনে প্ৰথমবাৰৰ বাবে বিকাশ আৰু প্ৰচাৰ কৰিছিল। তেতিয়াৰে পৰা আজিলৈকে চৰকাৰ, ব্যৱসায়িক সংস্থা, শিক্ষাৰ স'তে জড়িত ক্ষেত্ৰৰ লোক আৰু অনা চৰকাৰী সংস্থাৰ বিভিন্ন প্ৰতিনিধিয়ে এইবোৰৰ মূল্য প্ৰদৰ্শন কৰি আহিছে।

বৰ্তমানে, এন বি এছক বুজনসংখ্যক অংশীদাৰে বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ এক প্ৰয়োজনীয় পদ্ধতি বুলি স্বীকৃতি দিছে। আই ইউ চিন এনৰ প্ৰকৃতি-আধাৰিত সমাধানৰ গোলকীয় মানকসমূহৰ লক্ষ্য হ'ল – এই কাৰ্য্যপন্থাৰ প্ৰয়োগৰ ব্যৱস্থাটো যাতে বিশ্বাসযোগ্য হয় আৰু ইয়াৰ গ্ৰহণপ্ৰক্ৰিয়াক অভিযোজনসম্ভৱ ব্যৱস্থাপনাৰ বাবে কামত অহাকৈ নিৰীক্ষণ আৰু পৰিমাপ কৰা যাতে ইয়াৰ সুফলবোৰে আনকো অনুপ্ৰাণিত কৰিব পাৰে। এই কামক আগবঢ়াই নিবলৈ হ'লে প্ৰয়োজন হ'ব বৈজ্ঞানিক পুংখানুপুংখতা, বিদ্যায়তনিক গৱেষণা, সুপ্ৰশাসন আৰু সৰ্বোপৰি লাগিব বিভিন্ন পক্ষৰ পৰা এই মানকসমূহক বিকাশ প্ৰক্ৰিয়াৰ মূলসূঁতিত অন্তৰ্ভুক্ত কৰাৰ প্ৰতি আগ্ৰহ, যাতে এইবোৰৰ জৰিয়তে এই মানকসমূহক সামূহিকভাৱে এক মূল সংৰক্ষণ আৰু বিকাশৰ সঁজুলি হিচাপে পৰিশীলিত কৰি তুলিব পৰা যায়।

## আমাক কিয় এই মানকসমূহ লাগে?

এনবিএছসমূহ বিভিন্ন নীতিত সন্নিৱিষ্ট হোৱা আৰু প্ৰায়োগিক ক্ষেত্ৰখনত বিভিন্ন প্ৰকল্পত এইবোৰ গ্ৰহণৰ লগে লগে এই ধাৰণাটোৱেনো কি কি সূচায় সেই লৈ অধিক স্পষ্টতা আৰু সুনিৰ্দিষ্টতাৰ প্ৰয়োজন হোৱাৰ উপৰি ইয়াক সফলভাৱে প্ৰয়োগ কৰিবলৈ কি কি কৰা দৰকাৰ, সেই কথাবোৰো নিৰ্দিষ্ট হোৱা প্ৰয়োজন। ইয়াৰ অবিহনে এন বিএছৰ প্ৰয়োগে অসমান আৰু ভিত্তিহীন ফলাফল দিয়াৰ শংকাৰ সৃষ্টি হয়। সেয়ে, এই মানকবোৰে এক পদ্ধতিগত শিকণ কাঠামোৰো যোগান ধৰে, যাতে ইয়াৰ পৰা পোৱা শিক্ষাসমূহ উন্নত হয় আৰু ইয়ে প্ৰক্ৰিয়াটোকে অধিক উন্নত কৰে। ফলশ্ৰুতিত সিদ্ধান্ত গ্ৰহণকাৰীসকলৰ এন বি এছৰ ওপৰত থকা বিশ্বাস অধিক দৃঢ় হয়। একেদৰে, এনে এক মানকৰ অভাৱত, এন বি এছ কেৱল এক সাধাৰণ ধাৰণা হৈয়েই ৰৈ যাব আৰু বহনক্ষমতাৰ প্ৰয়োজনীয়তাৰ প্ৰতি ইয়াৰ অৱদান তেনেই সীমিত হৈ থকাৰ লগতে ইয়াৰ যি সম্ভাৱনীয়তা, সেয়া কাৰ্য্যক্ষেত্ৰত ৰূপায়িত নোহোৱাকৈ থাকিব। আনহাতে, এই মানকসমূহে এন বি এছৰ এক গোলকীয় ব্যৱহাৰকাৰী গোট সৃষ্টি কৰাৰ সুযোগ দিয়ে যিয়ে প্ৰকৃত কৰ্মক্ষেত্ৰত এইবোৰৰ ৰূপায়নত দিক নিৰ্দেশনা দিয়াৰ লগতে, নীতিবিষয়ক বিকাশ ত্বৰান্বিত কৰাত আৰু এন বি এছৰ মাধ্যমত এক সংৰক্ষণ

বিজ্ঞান সৃষ্টিত সহায় কৰে। এই মানকসমূহৰ জৰিয়তে, এখন ন্যায়সন্মত আৰু বহনক্ষম পৃথিৱীৰ বাবে এন বি এছ সম্পৰ্কীয় এক সামূহিক বোধগম্য ব্যাখ্যা আৰু দৃষ্টিকোণ সকলোৰে বাবে সুলভ হৈ পৰিব বুলি আশা কৰিব পাৰি।

## এই মানকবোৰে কি কৰে ?

এই মানকবোৰে ইয়াৰ ব্যৱহাৰকাৰীসকলক এন বি এছসমূহৰ আহিঁ প্ৰস্তুতি আৰু সত্যাপনৰ বাবে এক শক্তিশালী কাঠামোৰ যোগান ধৰিব বিচাৰে, যিয়ে এটা বা ততোধিক সামাজিক প্ৰত্যাহ্বানৰ সমাধানৰ ক্ষেত্ৰত আকাংক্ষিত ফলাফল দিব পাৰে। প্ৰকৃত আৰু সম্ভাব্য এন বি এছ ব্যৱহাৰকাৰীসকলৰ মতামতৰ ওপৰত ভিত্তি কৰি ইয়াক এক সুবিধাপ্ৰদ মানক হিচাপে বিকশিত কৰা হৈছে আৰু উদ্দেশ্যপ্ৰণোদিতভাৱেই ইয়াত এন বি এছে সাধন কৰিব খোজা উদ্দেশ্যৰ এক ধৰাবন্ধা, নিৰ্দিষ্ট সীমাযুক্ত দৃঢ় কাঠামো ব্যৱহাৰ কৰাৰ পৰা আঁতৰি থকা হৈছে। ইয়াৰ পৰিৱৰ্তে, এই মানকসমূহ এনেকুৱাকৈ ডিজাইন কৰা হৈছে যাতে ব্যৱহাৰকাৰীসকলক এন বি এছৰ প্ৰয়োগ তথা শিকণত সহায় কৰাৰ লগতে তেওঁলোকৰ নিজা নিজা এন বি এছ আধাৰিত কাৰ্য্যাৱলীসমূহৰ কাৰ্য্যদক্ষতা, বহনক্ষমতা তথা অভিযোজন ক্ষমতাক নিৰৱছিন্নভাৱে শক্তিশালী আৰু উন্নতমানৰ কৰি তোলাত সহায় কৰে। তদুপৰি, ই সুনিৰ্দিষ্ট সমাধান-কেন্দ্ৰিক ফলাফলৰ আহিঁ প্ৰস্তুতি তথা সত্যাপনৰ বাবেও এক স্থায়ী উপায়ৰ বিকাশ কৰাৰ ক্ষেত্ৰত এক কৌশল হিচাপে কাম কৰে। এই মানকসমূহ তথা আপোনাৰ নিজা এন বি এছসমূহক পদ্ধতিগতভাৱে ব্যৱহাৰ কৰি আহিঁ আৰু কাৰ্য্যপন্থা ৰূপায়নৰ গুণাগুণক পৰীক্ষা কৰিব পাৰি আৰু ইয়াৰ ফলাফলসমূহক অধ্যয়ন কৰাৰ উপৰি

গোলকীয় লক্ষ্যৰ লগতে গৱেষণামূলক আলোচনাৰ সতে সংযোজিত কৰিব পাৰি। প্ৰকৃত ৰূপায়নৰ ক্ষেত্ৰত লোৱা প্ৰতিটো কাৰ্য্যপন্থাৰ ক্ষেত্ৰত এই মানকসমূহৰ প্ৰয়োগে এইবোৰত সহজেই প্ৰত্যক্ষ কৰিব পৰাকৈ মূল্য সংযোজন কৰে। প্ৰথমতে, ইয়াৰ ফলাফলবোৰে বিনিয়োগকাৰী, দাতা তথা অন্যান্য অংশীদাৰসকলৰ স'তে কৰা আলোচনাত ৰূপায়িত কাৰ্য্যপন্থাক অধিক বিশ্বাসযোগ্য কৰি তোলে। দ্বিতীয়তে, এই মানকবোৰৰ প্ৰয়োগে প্ৰতিটো কাৰ্য্যপন্থাতে অধিক উন্নত কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায় য'ত ফলাফলৰ সহায়ত বৈ যোৱা ব্যৱধান আৰু সমাধান চিনাক্ত কৰিব পাৰি । তৃতীয়তে, এই মানকসমূহক বিভিন্ন খণ্ডৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন তথা যোগাযোগৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি, যিয়ে নতুন দিশৰ আলোচনা আৰম্ভ কৰাত তথা বিভিন্ন ব্যৱসায়িক বিনিময় সম্পৰ্কীয় আলোচনাৰ ক্ষেত্ৰত এক উমৈহতীয়া পৰিকাঠামো আৰু পৰিভাষাৰ সৃষ্টিত সহায় কৰিব।


## এই মানকবোৰ কোনে ব্যৱহাৰ কৰিব পাৰে ?

আই ইউ চি এনে আশা কৰে যে বিভিন্ন দেশৰ চৰকাৰ, চহৰ আৰু স্থানীয় নিকায়সমূহ, পৰিকল্পনাকাৰীসকল, ব্যৱসায় সংস্থা, দাতব্য সংস্থা বা ব্যক্তি, বিভিন্ন উন্নয়নমূলক বেংকক‌ে ধৰি বিত্তীয় প্ৰতিষ্ঠান তথা অনা-চৰকাৰী সংস্থাসমূহ হ'ব এই মানকসমূহৰ মুখ্য ব্যৱহাৰকাৰী। এই মানকসমূহ সুৰক্ষিত বনাঞ্চল আদিৰ দৰে বিভিন্ন সুৰক্ষিত এলেকাৰ পৰা আৰম্ভ কৰি উৎপাদনশীল এলেকা তথা চহৰাঞ্চল আদিত কৰ্মৰত অংশীদাৰসকলে ব্যৱহাৰ কৰিব পৰাৰ লগতে বিভিন্ন ভৌগোলিক অঞ্চলত তথা পৰিৱৰ্তিত অথবা অপৰিৱৰ্তিত পৰিস্থিতিতন্ত্ৰৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিব পৰা যাব। ব্যৱহাৰকাৰীসকলে এইবোৰক বৃহৎ মাত্ৰাৰ বা ক্ষুদ্ৰ পৰিসৰৰ – উভয় প্ৰকাৰৰ কাৰ্য্যপন্থাৰ ক্ষেত্ৰতে ব্যৱহাৰ কৰিব পাৰিব।

## এই মানকসমূহ কেনেধৰণৰ ?

এই মানকসমূহত আছে ৮ টা চৰ্ত আৰু ২৮ টা সূচক ( চিত্ৰ ২)। প্ৰথমটো চৰ্তই সামাজিক সমস্যাসমূহৰ চিনাক্তকৰণত গুৰুত্ব দিয়ে, যাৰ প্ৰত্যুত্তৰ হ'ব এই এন বি এছসমূহ ।

সচৰাচৰ সামাজিক প্ৰত্যাহ্বান বুলি ক'লে জলবায়ু পৰিৱৰ্তন ( অভিযোজন আৰু প্ৰতিৰোধ), দুৰ্যোগ শংকা প্ৰশমন, পৰিস্থিতিতন্ত্ৰ তথা জীৱবৈচিত্ৰ্যৰ অৱক্ষয়, খাদ্য নিৰাপত্তা, মানৱ স্বাস্থ্য, সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন তথা জল নিৰাপত্তাকে মূলতঃ সূচোৱা হয়। কিন্তু এন বি এছসমূহৰ বিৱৰ্তন আৰু উৎকৰ্ষৰ লগে লগে ইয়াৰ পৰিসৰৰ ভিতৰত আন আন বিশেষ প্ৰত্যাহ্বানকো সামৰি ল'ব পাৰি। এন বি এছৰ সূচনাৰ বাবে এটা বা ততোধিক সামাজিক প্ৰত্যাহ্বান আৰম্ভণি বিন্দু হ'ব পাৰে যদিও এই ক্ষেত্ৰত সদায়ে অগ্ৰাধিকাৰ দিয়া হয় এন বি এছৰ বহুমুখী সুফল প্ৰদানৰ সম্ভাৱনাক ব্যৱহাৰ কৰাত, য'ত এটা কাৰ্য্যপন্থাই কেবাটাও সামাজিক প্ৰত্যাহ্বানৰ বাবে সমাধান হিচাপে কাম কৰিব পাৰে ।




**চিত্ৰ ২ : আই ই চি এনৰ এন অ বি এছৰ গোলকীয় মানকসমূহ গঠন কৰা আঠটা চৰ্ত সদায়ে আন্তঃসংযোজিত**

ইয়াৰে ৩, ৪ আৰু ৫ নং চৰ্তই বহনক্ষম উন্নয়নৰ তিনিটা মূল আধাৰ ক্ৰমে– পাৰিৱেশিক বহনক্ষমতা, সামাজিকভাৱে ন্যায়সংগত আৰু অৰ্থনৈতিক সফলতা – এই তিনি দিশৰ স'তে সংগতি ৰক্ষা কৰে। ইয়াৰে প্ৰতিটো চৰ্তৰ বাবে, সাম্প্ৰতিক সময়ত সুলভ সম্পদ তথা তাৰ প্ৰসংগৰ কিছু প্ৰয়োজন হয়, যাক আমি বেছলাইন বা আধাৰ হিচাপে ধৰিব পাৰোঁ। লগতে এক সবল এন বি এছৰ ৰূপায়নৰ বাবে ইয়াৰ পৰৱৰ্তী পৰ্য্যায়ত লাগে বহনক্ষম কাৰ্য্যব্যৱস্থা ।

৬ নং চৰ্তই যি লাভালাভ হয় বা যি সন্তুলন বৰ্তাই ৰখাৰ প্ৰয়োজন, সেই বিষয়ক আদান-প্ৰদানৰ দিশসমূহক সামৰি লয় আৰু এই বিষয়ক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী লাভসমূহ আহৰণৰ বাবে কি কি সিদ্ধান্ত লোৱাৰ প্ৰয়োজন হ'ব, সেইসমূহ বিষয়ো সাঙুৰি লয়। ইয়াৰ উপৰি, এনে আদান-প্ৰদান প্ৰক্ৰিয়াক নিৰ্ধাৰণ কৰিবলৈ যাতে এক স্বচ্ছ, ন্যায়সংগত আৰু সমন্বিত প্ৰক্ৰিয়া অৱলম্বন কৰা হয়, সেই দিশটো নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাকো ই সামৰি লয়। সমাধানসমূহক প্ৰভাৱিত কৰা তন্ত্ৰসমূহৰ গতিশীল আৰু সক্ৰিয় অৱস্থালৈ লক্ষ্য কৰি

(চৰ্ত ২), এন বি এছৰ ৰূপায়ন প্ৰক্ৰিয়াক ইতিমধ্যে প্ৰতিষ্ঠিত আধাৰ বা বেছলাইনৰ বিপৰীতে অত্যন্ত পদ্ধতিগতভাৱে পৰিচালনা কৰা অতি দৰকাৰী। এন বি এছে পৰিস্থিতিতন্ত্ৰই দিয়া সেৱাসমূহৰ সুবিধা আহৰণ কৰে, যিবোৰ সাধাৰণতে জটিল, সদা পৰিৱৰ্তনশীল আৰু স্ব-চালিত তন্ত্ৰ। একোটা এন বি এছ কাৰ্য্যপন্থাৰ প্ৰতি পৰিস্থিতিতন্ত্ৰ একোটাই অতি আকাংক্ষিত ধৰণেৰে যিদৰে প্ৰতিক্ৰিয়া দেখুৱাব পাৰে। একেদৰে একোটা কাৰ্য্যপন্থাই অনাকাংক্ষিত, অভাৱনীয় আৰু অনিচ্ছাকৃত ফলাফলো দেখুৱাব পাৰে। ইয়াৰ ফলস্বৰূপে, ৭ নং চৰ্তত থকা বিষয়টোৱে এনেক্ষেত্ৰত অভিযোজনসম্বৰ ব্যৱস্থাপনাৰ পোষকতা কৰে, যি সমগ্ৰ পৰিস্থিতিতন্ত্ৰত চলি থকা প্ৰক্ৰিয়াবোৰ সম্পৰ্কে নিৰৱছিন্ন শিক্ষাত সহায় আগবঢ়োৱাৰ লগতে তন্ত্ৰটোত হোৱা সাল-সলনি সাপেক্ষে তাক খাপ খুৱাই লোৱাতো সহায় কৰে।

নিৰ্দিষ্ট মাত্ৰাত দীৰ্ঘকালীন ৰূপত ৰূপায়ন কৰিলেহে এন বি এছৰ প্ৰকৃত সম্ভাৰনীয়তাক উপলব্ধি কৰিব পৰা যায়। সেয়ে এই ধাৰণা আৰু কাৰ্য্যপন্থাসমূহক বিভিন্ন নীতি অথবা আইনী পৰিকাঠামোত সন্নিৱিষ্ট কৰি লোৱাৰ লগতে ইয়াক ৰাষ্ট্ৰীয় লক্ষ্য অথবা আন্তঃৰাষ্ট্ৰীয় দায়বদ্ধতাৰ সতে সংলগ্ন কৰি ল'ব পাৰিলেহে এনে হোৱাটো সম্ভৱপৰ, যাক ৮ নং চৰ্তৰ জৰিয়তে উল্লেখ কৰা হৈছে।

## এই মানকসমূহক কিদৰে ব্যৱহাৰ কৰিব পাৰি ?

এই মানকসমূহক তেনেই সৰল অথচ অত্যন্ত শক্তিশালী হাতে-কামে অহা আহিলা যিয়ে এন বি এছৰ ধাৰণাক ৰূপায়নৰ বাবে সুনিৰ্দিষ্ট লক্ষ্যসম্পন্ন কাৰ্যলৈ ৰূপান্তৰিত কৰাত সহায় কৰাৰ লগতে শ্ৰেষ্ঠতম কাৰ্য্যাৱলীৰ সৰলীকৰণ, আসোঁৱাহবোৰক আলোচনা কৰি সেইবোৰ শুধৰোৱা তথা ৰূপায়ণ কৰিবলগীয়া কাৰ্য্যপন্থাসমূহক এন বিএছৰ আন্তৰ্জাতিকভাৱে গ্ৰহণ কৰা নীতিসমূহৰ (WCC-2016-Res-069) সতে ৰজিতা খুওৱা আদি কাৰ্য্যতো সহায় কৰে। এই মানকবোৰক হাতত থকা প্ৰকল্প পৰিচালনাৰ আহিলা তথা কাৰিকৰী পদ্ধতিৰেই ৰূপায়িত কৰিব পাৰি। তদুপৰি, প্ৰচলিত প্ৰতিবেদন পদ্ধতি আৰু পৰিচালনা পদ্ধতিৰ সতে এই সূচকবোৰৰ সামঞ্জস্য সাধনৰ ফলত এক বিশ্বাসযোগ্য এন বি এছ কাৰ্য্যপন্থা ৰূপায়নৰ বাবে দৰকাৰ হোৱা অতিৰিক্ত কামৰ পৰিমাণ হ্ৰাস কৰে। (চিত্ৰ ৩)

তদুপৰি, এক স্ব-পৰীক্ষণীয় আহিলা হিচাপে ব্যৱহাৰ অনুকূল এন বি এছ মানকসমূহ (ভাগ ক)ৰ সতে এক সুবিস্তাৰিত নিৰ্দেশাৱলী দিয়া হয়, য'ত এন বি এছৰ বৈজ্ঞানিক পটভূমি সম্পৰ্কে উল্লেখ থাকে আৰু এই নিৰ্দেশাৱলীয়ে ইয়াৰ চৰ্তাৱলী তথা সূচকসমূহ সম্পৰ্কে ব্যাপকৰূপত নিৰ্দেশনা দিয়ে। তৃতীয়টো ভাগত থাকে এখন ব্যৱহাৰকাৰীৰ হাতপুথি, য'ত সত্যাপন কৰিবৰ বাবে বিভিন্ন উপায় সম্পৰ্কে উল্লেখ থকাৰ লগতে এই মানকসমূহৰ প্ৰয়োগৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা আহিলা আৰু কৰ্মপন্থাসমূহৰ এক তালিকাও দিয়া হয়।

এন বি এছ মানকসমূহৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ প্ৰয়োগ সূচল কৰিবৰ বাবে ইয়াৰ সতে এক স্ব-পৰীক্ষণ আহিলাৰো বিকাশ ঘটোৱা হৈছে। ইয়াৰ সহায়ত মানকৰ ব্যৱহাৰকাৰীসকলে আঠটা চৰ্তৰ সতে তেওঁলোকে লোৱা কাৰ্য্যপন্থাৰ শতকৰা সামঞ্জস্য হিচাপ কৰিব পাৰিব আৰু ইয়াৰ ভিত্তিত সংশ্লিষ্ট কাৰ্য্যপন্থাটো আই ইউ চি এনৰ গোলকীয় মানকৰ সতে খাপ খাইছে নে নাই, সেয়া চিনাক্ত কৰিব পাৰিব। এই আহিলাই ব্যৱহাৰকাৰীসকলক, প্ৰতিটো সূচকৰ বাবে নিৰ্দিষ্ট কিছু নিৰীক্ষণ লিপিবদ্ধ কৰাৰ সুযোগ দিয়ে, য'ত উক্ত সূচকটোত কিমান ভালকৈ উপনীত হ'ব পৰা গৈছে (প্ৰৱলভাৱে, উপযুক্তভাৱে, সামান্য পৰিমাণে বা অনুপযুক্তভাৱে) সেই কথাৰ লগতে তাৰ যথাযথ যুক্তি, ইয়াক সত্যাপনৰ উপায় আদি উল্লেখ কৰাৰ উপৰি সেই বিষয়ে মন্তব্যও সন্নিৱিষ্ট কৰিব পাৰে। এই আহিলাটোৱে প্ৰতিটো সূচকৰ বাবে এক বিশ্লেষণাত্মক বিৱৰণ আগবঢ়োৱাৰ লগতে এটা নিৰ্দিষ্ট কাৰ্য্যপন্থাই কিমান ভালদৰে মানকবোৰ মানি চলিছে, তাৰ এক সামগ্ৰিক ৰেটিং ব্যৱস্থাও আগবঢ়ায়। এই প্ৰক্ৰিয়াত এক ট্ৰেফিক লাইট ইণ্ডিকেটৰ ব্যৱস্থাৰে কাৰ্য্যপন্থাবোৰৰ মূল্যায়ন কৰিব পাৰি, য'ত একোটা কাৰ্য্যপন্থাই কোনো এটা চৰ্তৰ বিপৰীতে 'অনুপযুক্ত' ৰেটিং পোৱাৰ অৰ্থ হ'ল ই এন বি এছৰ আই ইউ চি এনৰ গোলকীয় মানক অনুসৰণ কৰা নাই।




**চিত্ৰ – ৩: এক আন্তৰ্জাতিক মানক সমিতিৰ জৰিয়তে মানকসমূহৰ পৰিচালনা © IUCN**

## এন বি এছৰ কাৰণে এক শক্তিশালী গোলকীয় মানক নিশ্চিতকৰণ

প্ৰথম পক্ষীয় সত্যাপন হিচাপে প্ৰস্তাৰিত প্ৰক্ৰিয়াত পোনতে ব্যৱহাৰকাৰীয়ে এই মানকবোৰক নিৰ্দিষ্ট চৰ্ত আৰু সূচকৰ বিপৰীতে একোটা প্ৰকল্প বা কাৰ্য্যপন্থাক মূল্যায়ন কৰিবলৈ প্ৰয়োগ কৰে। মানকবোৰৰ এনেধৰণৰ স্ব-সত্যাপনৰ প্ৰক্ৰিয়া প্ৰকৃততে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ পৰা অহা ব্যৱহাৰকাৰীসকলে যাতে এক সুবিধাপ্ৰদ মানকৰ পৰা ক্ৰমে সুন্দৰকৈ ডিজাইন কৰা, ৰূপায়ন-সম্ভৱ আৰু স্থায়ী এন বি এছৰ ফালে সফলভাৱে আগবাঢ়িব পাৰে, সেই দিশত আই ই চি এনৰ যি সদিচ্ছা, তাৰেই প্ৰতিফলন। যি নহওক, সুবিধাজনক মানক প্ৰয়োগৰ যি ইচ্ছা, সিয়ে এই মানকবোৰৰ ৰূপায়ণত বিশ্বাসযোগ্যতা আৰু দৃঢ়তাৰ প্ৰয়োজনীয়তাক কেতিয়াও নাকচ নকৰে। এই মানকবোৰৰ ৰূপায়নৰ পৰৱৰ্তী পৰ্য্যায়ত সেয়েহে মানকসমূহৰ উৎকৰ্ষ সাধনৰ বাবে এক কৰ্তৃত্বশীল আৰু স্বীকৃতিপ্ৰাপ্ত প্ৰশাসনিক পৰিকাঠামো তথা শিকণৰ বাবে মতামতৰ সুবিধাসম্পন্ন এক ব্যাপক তথা শক্তিশালী প্ৰয়োগ প্ৰক্ৰিয়াৰ প্ৰয়োজন হ'ব । সামগ্ৰিকভাৱে, ইয়াৰ প্ৰশাসন পৰিকাঠামোত থাকিব মুখ্যতঃ চাৰিটা উপাদান -

- সামগ্ৰিক কৰ্তৃপক্ষ হিচাপে থাকিব এক আন্তৰ্জাতিক মানক সমিতি, যাক গঠন কৰা হ'ব অন্যান্য তিনিটা উপাদানৰ নেতৃত্ব আৰু প্ৰতিনিধিবৰ্গৰ পৰা ;

- এখন বৈজ্ঞানিক সমিতি, যি মূলতঃ দায়বদ্ধ হ'ব এই মানকবোৰৰ প্ৰয়োগত বৈজ্ঞানিক পদ্ধতিৰ কঠোৰ উপস্থিতিৰ নিশ্চিতকৰণ তথা এই সম্পৰ্কীয় জ্ঞানৰ বৈজ্ঞানিক শুদ্ধতাৰ বাবে;

- এক ব্যৱহাৰকাৰী গোট, যিয়ে মানকসমূহৰ বিৱৰ্তন আৰু উৎকৰ্ষৰ বাবে শিকণপ্ৰক্ৰিয়া আৰু মতামত আদান-প্ৰদান প্ৰক্ৰিয়াক মানকৰ প্ৰয়োগৰ পৰা শিকা পাঠসমূহৰ দ্বাৰা আগুৱাই নিব

- কাৰ্য্যকৰীকৰণ কেন্দ্ৰ (আঞ্চলিক বা ৰাষ্ট্ৰীয়) যিয়ে এই মানকবোৰৰ প্ৰসংগসাপেক্ষে অভিযোজন প্ৰক্ৰিয়াত সহায় কৰাৰ লগতে, সমাজ, অৰ্থনীতি আৰু পৰিৱেশৰ বাবে প্ৰাসংগিক সমাধানৰ বিকাশৰ ক্ষেত্ৰত সহায় কৰিব, যাতে এইবোৰ দীৰ্ঘস্থায়ী হয় আৰু ভৱিষ্যতেও সুফলদায়ক হৈ থাকে।

ইয়ে নিশ্চিত কৰিব যে, এন বি এছৰ যি আকাংক্ষিত লক্ষ্য তাত উপনীত হোৱাৰ বাবে মানকবোৰৰ এক বৈজ্ঞানিকভাৱে সুদৃঢ় আৰু গোলকীয়ভাৱে প্ৰাসংগিক প্ৰয়োগৰ ক্ষেত্ৰত এক গোলকীয় ব্যৱস্থাপনা পদ্ধতি আছে। এনে এক ব্যৱস্থাপনা কৌশলৰ দ্বাৰা এন বি এছ অৱধাৰণাৰ ব্যাখ্যা তথা হাতত থকা প্ৰসংগ ( যেনে ৰাষ্ট্ৰীয়) সাপেক্ষে একে সময়তে স্থিৰতা, গুণাগুণ আৰু নিশ্চয়তা বৰ্তাই ৰাখি এই মানকবোৰৰ প্ৰয়োগ সম্ভৱ কৰি তুলিব পৰা যায়। তদুপৰি, ইয়াৰ জৰিয়তে বিভিন্ন বৈচিত্ৰ্যময় ক্ষেত্ৰৰ ব্যৱহাৰকাৰী গোট এক দীৰ্ঘসময়ৰ বাবে এই দিশত জড়িত হৈ থাকিব পাৰে, কিয়নো এই গোটটোৱেই ফীডবেক লুপৰ শিকণৰ ক্ষেত্ৰত আটাইতকৈ বেছি তৎপৰ হৈ থকিব পাৰে।

# চৰ্ত ১ : প্ৰকৃতি-আধাৰিত সমাধান বা এন বি এছে সামাজিক প্ৰত্যাহ্বানসমূহ অতি কাৰ্য্যকৰীভাৱে মোকাবিলা কৰে

| **নিৰ্দেশনা :** | **সূচকসমূহ** |
|---|---|
| এই চৰ্তটিৰ উদ্দেশ্য হ'ল – এন বি এছক কোনো এক নিৰ্দিষ্ট সামাজিক সমস্যা (সমূহ)ৰ সমাধান ৰূপে প্ৰস্তুত কৰাটো সুনিশ্চিত কৰা, যিবোৰ সমস্যাক - যি সমস্যাৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত বা প্ৰভাৱান্বিত হ'বলগীয়া-ৰাইজে নিজে অগ্ৰাধিকাৰ ভিত্তিত চিনাক্ত কৰে। অগ্ৰাধিকাৰ দিয়া সমস্যাসমূহৰ চিনাক্তকৰণৰ ক্ষেত্ৰত যি সিদ্ধান্ত-গ্ৰহণকাৰী প্ৰক্ৰিয়া চলোৱা হয়,তাত সকলো অংশীদাৰ, বিশেষকৈ স্বত্বাধিকাৰীসকল তথা এন বি এছৰ হিতাধিকাৰীসকল জড়িত হৈ থাকিবই লাগিব (চৰ্ত ৫) । | **১.১ স্বত্বাধিকাৰী তথা হিতাধিকাৰীসকলৰ বাবে আটাইতকৈ অধিক গুৰুত্বপূৰ্ণ সামাজিক সমস্যাসমূহক অগ্ৰাধিকাৰভিত্তিত নিৰ্বাচিত কৰা**<br>নিৰ্দেশনা: সংশ্লিষ্ট এন বি এছ কাৰ্য্যপন্থাই সুস্পষ্টকৈ নিৰ্দিষ্ট কৰা সংশ্লিষ্ট প্ৰত্যাহ্বানসমূহক, যাৰ সমাজত লেখত লবলগীয়া আৰু চকুত পৰা ধৰণৰ প্ৰভাৱ আছে, তেনে প্ৰত্যাহ্বানক মোকাবিলা কৰিব লাগিব। এনেকুৱা সৰ্বাধিক গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ চিনাক্তকৰণ আটাইতকৈ ভালকৈ কৰিব পাৰি এক স্বচ্ছ আৰু সমন্বিত আলোচনা প্ৰক্ৰিয়াৰ (চৰ্ত ৫) মাজেৰেহে, কিয়নো বাহিৰৰ পৰা অহা অংশীদাৰ আৰু সংশ্লিষ্ট এলেকাৰ স্থানীয় ৰাইজৰ মাজত মত পাৰ্থক্য থাকিব পাৰে। |
| | **১.২ মোকাবিলা কৰিবলৈ লোৱা সামাজিক সমস্যাটো বা সমস্যাবোৰ ভালদৰে বুজি পোৱা হয় আৰু উপযুক্তভাৱে তাৰ তথ্যপাতি লিপিবদ্ধ কৰা**<br>নিৰ্দেশনা : সমাধান কৰিবলৈ লোৱা সমস্যাটোক চালি-জাৰি ভালদৰে বুজা, তাৰ আঁৰৰ কাৰকসমূহক অনুধাৱন কৰা তথা এই সমূহ দিশ ভালদৰে নথিভুক্ত কৰাটো ভৱিষ্যত দায়বদ্ধতা তথা মানৱ-কল্যাণ সম্পৰ্কীয় লাভালাভৰ (১.৩) বাবে এই কৌশলবোৰক সকলোপিনৰে পৰা সৰ্বোত্তম কৰা অতীৱ প্ৰয়োজনীয়। একোটা এন বি এছে সচৰাচৰ বহুকেইটা সামাজিক সুফল প্ৰদান কৰে, যেনে নিয়োগ সৃষ্টি, পৰিস্থিতিতান্ত্ৰিক সেৱাৰ বৰ্ধিত প্ৰৱাহ আদি আৰু সেয়ে এই অতিৰিক্ত সুফলসমূহে যিবোৰ সামাজিক সমস্যাৰ সমাধান হিচাপে কাম কৰিব পাৰে, সেইবোৰক নথিভুক্ত কৰাটো উচিত। |
| | **১.৩ এন বি এছৰ পৰা লাভ কৰা মানৱ কল্যাণমূলক সুফলসমূহ চিনাক্ত কৰা, তাৰ সীমা নিৰ্দিষ্ট কৰা আৰু সময়ে সময়ে মূল্যায়ন কৰা**<br>নিৰ্দেশনা : এন বি এছে মানুহৰ কল্যাণৰ বাবে পৰিমেয় আৰু বাস্তৱিক সুফল প্ৰদান কৰিব লাগিব। সুনিৰ্দিষ্ট, পৰিমেয়, সম্ভৱপৰ, বাস্তৱিক আৰু সময়সাপেক্ষ লক্ষ্যকহে উপযুক্ত হিচাপে ব্যৱহাৰ কৰিব লাগে, কিয়নো তেনে লক্ষ্যহে দায়বদ্ধতাৰ বাবে দৰকাৰী আৰু এইবোৰে অভিযোজনসম্ভৱ ব্যৱস্থাপনা প্ৰক্ৰিয়াকো সহায় কৰে। ( চৰ্ত ৭) |

## সামাজিক প্ৰত্যাহ্বানসমূহ






**চিত্ৰ ৪ এন বি এছে সমাধা কৰা মুখ্য সামাজিক প্ৰত্যাহ্বানসমূহ৷ বাওঁপিনৰ পৰা সোঁপিনলৈ থকা প্ৰথম ছয়টা প্ৰত্যাহ্বানক আই ইউ চি এনে দিয়া সংজ্ঞাৰ আওঁতাত ৰাখি নিৰ্দিষ্ট কৰা হৈছে৷ সাত নম্বৰ সামাজিক প্ৰত্যাহ্বানটো, পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয় আৰু জীৱবৈচিত্ৰ্যৰ বিলুপ্তিক হ্ৰাস কৰাটো এই মানকসমূহ সম্পৰ্কত হোৱা দ্বিতীয়টো ৰাজহুৱা আলোচনাৰ ফলাফল । ©আইইউচিএন**

**চিত্ৰ ৫ সহযোজিত প্ৰাকৃতিক পুনৰুজ্জীৱন প্ৰক্ৰিয়া নামৰ এক সহজ, কম-খৰচী ভূমি পুনঃসংস্থাপন পদ্ধতিৰ প্ৰয়োগ কৰা এখন পথাৰত গজি উঠা গছপুলি৷ পুলিৰ প্ৰাকৃতিক অংকুৰণ আৰু বৰ্ধনক বৰ্তাই ৰখাৰ লগতে অংকুৰন প্ৰক্ৰিয়াক সহায় কৰাৰ ফলত মাটিৰ উৎপাদনশীলতা বৃদ্ধি হৈছে৷ এই পুলিবোৰে কালক্ৰমত ছাঁ দিয়াৰ লগতে শস্যক সুৰক্ষাও দিব পাৰে আৰু সেইদৰে চৰম দূৰ্য্যোগৰ সময়ত প্ৰতিৰোধ আৰু সহনশীলতা বৃদ্ধিত অৰিহণা যোগায়৷ ©আই ইউ চি এন / এল হাডজী বেলে**

## নমুনা অধ্যয়ন : সামাজিক প্ৰত্যাহ্বান একোটাৰ চিনাক্তকৰণ [1]

চেনেগাল এনে এক দেশ, যিয়ে জলবায়ু পৰিৱৰ্তন আৰু দূৰ্য্যোগৰ বাবে যথেষ্ট পৰিমাণে সংকটৰ সন্মুখীন হ'ব লাগে৷ এই দেশত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱসমূহৰ বৈশিষ্ট্য হ'ল মূলতঃ অনিয়মীয়া বৃষ্টিপাতে সৃষ্টি কৰা ভূমিৰ লৱণীভৱন আৰু অৱক্ষয়, যিয়ে খৰাং আৰু মৰুভৱনে ইতিমধ্যে কৃষিৰ উৎপাদনশীলতা আৰু অৰ্থনৈতিক বিকাশৰ প্ৰতি সৃষ্টি কৰা ভাবুকিৰ মাত্ৰা বৃদ্ধিত অৱদান যোগায়৷ স্থানীয় উদ্ভাৱনক উৎসাহ প্ৰদান পদ্ধতিৰ ব্যৱহাৰৰ দ্বাৰা, ইয়াৰ জনসমষ্টিৰ সদস্যসকলে চিনাক্ত কৰা তেওঁলোকৰ সামাজিক প্ৰত্যাহ্বানসমূহ হ'ল – দূৰ্য্যোগৰ শংকা, খাদ্য নিৰাপত্তা তথা পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয়৷ আৰম্ভণিতে প্ৰকল্পৰ আহিঁত জলবায়ু পৰিৱৰ্তনৰ সতে অভিযোজন আৰু দূৰ্য্যোগ শংকা প্ৰশমনৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছিল যদিও ৰাজহুৱা পৰিকল্পনা প্ৰক্ৰিয়াৰ পৰৱৰ্তী সময়ত, প্ৰকল্পৰ পৰিচালকসকলে চিনাক্ত কৰা সকলো সামাজিক প্ৰত্যাহ্বানক সামৰি ল'ব পৰাকৈ কাৰ্য্যাৱলীসমূহৰ আহিঁনকৈ প্ৰস্তুত কৰে৷ ফলত ইয়াৰ পৰিণতিত সুনিৰ্দিষ্ট কৰা এন বি এছ সমাধানসমূহ আছিল – বহনক্ষম কৃষি প্ৰণালী, বান আৰু ভূমিৰ লৱণীভৱনৰ প্ৰভাৱৰ প্ৰতি মানুহ আৰু প্ৰকৃতিৰ স্থানীয় সহনশীলতাক শক্তিশালী কৰি তোলা, যাক ৰাইজৰ সতে মিলি নিৰ্দিষ্ট কৰা হৈছিল আৰু গোটেই আলোচনাপ্ৰক্ৰিয়াত ভাগ লোৱা সকলো অংশীদাৰে ইয়াৰ ৰূপায়ণ প্ৰক্ৰিয়া সম্পন্ন কৰিছিল৷ প্ৰকল্পৰ অগ্ৰাধিকাৰসমূহত স্থানীয় প্ৰয়োজনক অধিক সমন্বিতৰূপত তুলি ধৰাৰ প্ৰক্ৰিয়াটো আছিল তুলনামূলকভাৱে অধিক সৰল আৰু ইয়ে ভূমিৰ পুনৰসংস্থাপন, জীৱবৈচিত্ৰ্যৰ বৰ্ধন তথা অধিক খাদ্য শস্যৰ উৎপাদনৰ দৰে সহ সুফলসমূহো প্ৰদান কৰে৷

1 Monty, F., Murti, R., Miththapala, S. and Buyck, C. (eds). (2017). *Ecosystems protecting infrastructure and communities: lessons learned and guidelines for implementation*. Gland, Switzerland: IUCN. https://doi.org/10.2305/IUCN.CH.2017.14.en

# **চৰ্ত ২:** প্ৰকৃতি-আধাৰিত সমাধানৰ (এন বি এছ) আহিঁসমূহ সদায়ে মাত্ৰাভিত্তিক

**নিৰ্দেশনা:**

এই চৰ্তটিৰ উদ্দেশ্য হ'ল সেইসমূহ এনবিএছ আৰ্হিক উৎসাহিত কৰা, যিয়ে জীৱন্ত আৰু চলমান ভূ বা সাগৰীয় ক্ষেত্ৰ একোখনত থাকিব পৰা জটিলতা তথা অনিশ্চয়তাক অনুধাৱন কৰে। এইক্ষেত্ৰত মাত্ৰা বা মাপক যে কেৱল জৈৱ-পদাৰ্থগত বা ভৌগোলিক দিশতহে প্ৰযোজ্য হয় তেনে নহয়, বৰঞ্চ এইবোৰ অৰ্থনৈতিক ব্যৱস্থাসমূহ, নীতিগত পৰিকাঠামোসমূহৰ প্ৰভাৱ তথা সাংস্কৃতিক দৃষ্টিকোণবোৰৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়।

এনবিএছৰ আৰ্হিত সদায় এক ত্ৰি-মাত্ৰিক কাঠামোৰ ব্যৱহাৰ কৰি অংশীদাৰসকলেনো ভূমি/সাগৰীয় ক্ষেত্ৰ একোটাৰ বিভিন্ন দিশসমূহৰ মাজৰ আন্তঃসম্পৰ্কৰ বিষয়ে কি জানে সেই কথা সাঙুৰি লোৱা হয়। এই ত্ৰিমাত্ৰিক কাঠামোৰে সামৰা দিশকেইটা হ'ল – ভূ/সাগৰীয় ক্ষেত্ৰৰ বিভিন্ন অংশসমূহ, উক্ত ভূ/সাগৰীয় ক্ষেত্ৰখন নিজে তথা উক্ত ভূ/সাগৰীয় ক্ষেত্ৰৰ চৌপাশে ব্যাপ্ত পৰিৱেশ। ইয়াৰ এটা উদাহৰণ হ'ল – এক স্থানীয় প্ৰশাসনিক নিকায়ৰ অন্তৰ্গত গাঁও এখনত থকা ঘৰবোৰ। এই ক্ষেত্ৰত বিভিন্ন বৈশিষ্ট্য যেনে সাংস্কৃতিক প্ৰমূল্য, আইন, ভূমি, অৰণ্য তথা জল আদিক প্ৰভাৱিত কৰা বিভিন্ন আন্তঃসম্পৰ্কসমূহক বুজাটো অত্যন্ত গুৰুত্বপূৰ্ণ কিয়নো, অনাকাংক্ষিত পৰিৱৰ্তনৰ সংকটৰ মূল্যায়ন অথবা কাংক্ষিত পৰিৱৰ্তন আনিবৰ বাবে থকা সম্ভাৱনাক বুজিবৰ বাবে এইবোৰ অতিশয় প্ৰাসংগিক। এনবিএছৰ আৰ্হিসমূহে সদায়ে পৰিস্থিতিতন্ত্ৰৰ উৎপাদনশীলতাৰ সক্ষমতাক বৰ্তাই ৰাখিবলৈ বিচৰাৰ লগতে মানুহৰ সৰ্বাংগীন কল্যাণৰ বাবে প্ৰয়োজনীয় সুফল সৃষ্টিতো গুৰুত্ব প্ৰদান কৰি আহিছে।

**সূচকসমূহ :**

**২.১ এন বি এছৰ গাঁঠনিবোৰ এনেকুৱা যে ই অৰ্থনীতি, সমাজ আৰু পৰিস্থিতিতন্ত্ৰৰ মাজৰ আন্তঃসম্পৰ্কবোৰ চিনি পায় আৰু সেই অনুসৰি প্ৰতিক্ৰিয়া দেখুৱায়**

নিৰ্দেশনা:  এন বি এছ একোটাৰ সফলতা কেৱল কাৰিকৰী কাৰ্য্যপন্থাটোৰ মানৰ ওপৰতে নিৰ্ভৰ নকৰে; বৰঞ্চ নিৰ্ভৰ কৰে উক্ত কাৰ্য্যপন্থাটিত মানুহ, অৰ্থনীতি আৰু পৰিস্থিতিতন্ত্ৰক কেনেদৰে বুজা হৈছে আৰু তাৰ প্ৰতি কি প্ৰতিক্ৰিয়া দেখুওৱা হৈছে সেই কথাত। সমাধানবোৰ দীৰ্ঘস্থায়ী আৰু বহনক্ষম কৰিবলৈ হ'লে এন বিএছৰ আৰ্হি নিৰ্মাণ প্ৰক্ৰিয়াত এক 'তন্ত্ৰ'ভিত্তিক গাঁঠনি প্ৰস্তুতিৰ দৰকাৰ, যিয়ে এইধৰণৰ আন্তঃসম্পৰ্কবোৰক স্বীকৃতি দি সেইবোৰকো সামৰি লয় আৰু সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াত এই দিশবোৰ সন্নিৱিষ্ট কৰি লয়।


**২.২  এন বি এছৰ আৰ্হিসমূহক অন্যান্য সম্পূৰক কাৰ্য্যপন্থাৰ সতে সমন্বিত কৰা হয় আৰু এইবোৰে বিভিন্ন খণ্ডৰ মাজত সমন্বয় সাধন কৰিব বিচাৰে**

নিৰ্দেশনা : এন বি এছত সদায়ে আন আন কাৰ্য্যপন্থা যেনে অভিযান্ত্ৰিক প্ৰকল্প, তথ্যপ্ৰযুক্তি, বিত্তীয় আহিলা আদিৰ দৰে কাৰ্য্যপন্থাৰ সতে একেলগে কৰ্ম সম্পাদন আৰু সহযোগিতা স্থাপনত গুৰুত্ব দি অহা হৈছে। এনেকুৱা সম্পূৰক কাৰ্য্যপন্থাত স্বাভাৱিকতে প্ৰতিটো পৰিস্থিতি সাপেক্ষে আৰু বিষয় সাপেক্ষে বিভিন্ন খণ্ডৰ মাজত থকা সাদৃশ্য আৰু সমন্বয় স্থাপনৰ সুযোগবোৰক চিনাক্ত কৰা দৰকাৰ।

**২.৩ এন বি এছৰ আৰ্হিত কাৰ্য্যপন্থা গ্ৰহণৰ বাহিৰে সংকট চিনাক্তকৰণ আৰু সংকট ব্যৱস্থাপনাও সন্নিৱিষ্ট কৰা হয়**

নিৰ্দেশনা: তাৎক্ষণিক কাৰ্য্যপন্থা গ্ৰহণ ক্ষেত্ৰৰ বাহিৰত থকা অংশীদাৰ, আগ্ৰহজনিত বিষয় তথা পৰিস্থিতিতন্ত্ৰৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ বাহিৰে এইবোৰক যোগাত্মকভাৱে বা বিয়োগাত্মকভাৱে প্ৰভাৱিত কৰাৰ ক্ষমতা এন বি এছৰ আছে। সমাধান একোটা দীৰ্ঘস্থায়ী আৰু বহনক্ষম হ'বলৈ হ'লে কাৰ্য্যপন্থা গ্ৰহণ ক্ষেত্ৰৰ বাহিৰ-ভিতৰ উভয়তে এনেধৰণৰ আন্তঃসম্পৰ্কবোৰক অনুধাৱন কৰা তথা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত এইবোৰক সামৰি লোৱা দৰকাৰ। কাৰ্য্যপন্থাৰ আৰ্হিত সদায়ে উপযুক্ত সংকট ব্যৱস্থাপনাৰ বিকল্প সন্নিৱিষ্ট কৰিব লাগে।

## মাত্ৰা সাপেক্ষে আৰ্হি প্ৰস্তুতকৰণ




চিত্ৰ ৬ : এন বি এছ একোটাৰ আৰ্হি প্ৰস্তুত কৰোঁতে মাত্ৰা সাপেক্ষে সুযোগ, সংকট তথা প্ৰাসংগিক কাৰকসমূহক সন্নিৰিষ্ট কৰিবলৈ তাৎক্ষণিক ক্ষেত্ৰ তথা কাৰ্য্যপন্থাৰ বাহিৰত কিদৰে বিভিন্ন কাৰকক সামৰি লোৱা লয়, তাৰ ব্যাখ্যা চিত্ৰ। D এন বি এছৰ বাবে অন্যান্য বিভিন্ন কাৰ্য্যপন্থা যেনে কৃষি বা পথ পৰিকাঠামো আদিৰ লগতে ওপৰৰ সূঁতিৰ B-C এন বি এছকো ধৰিব লাগিব। যেতিয়া মাত্ৰা সাপেক্ষে এন বি এছৰ আৰ্হি প্ৰস্তুত কৰা হয়, সামাজিক প্ৰত্যাহ্বানসমূহৰ সামগ্ৰিক সমাধানসূত্ৰ হিচাপে বিভিন্ন এন বি এছৰ আৰ্হি প্ৰস্তুত কৰি সেইবোৰক একেলগ কৰিব পৰা যায়। © আই ইউ চি এন




চিত্ৰ ৭ কেনিয়ান জল সম্পদ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (WRMA) সতীৰ্থই টানা নদীত ৰিভাৰ গজ বৰ্ড হল্ডাৰ লগাই আছে © চি আই এ টি/ জৰ্জিনা স্মিথ

## নমুনা অধ্যয়ন : মাত্ৰা সাপেক্ষে আৰ্হি প্ৰস্তুতি – উপযুক্ত মাত্ৰাত সমাধান পাবৰ বাবে ইতিমধ্যে প্ৰস্তুত কৰি থোৱা জল পৰিকাঠামোৰ সতে প্ৰকৃতি-আধাৰিত সমাধানৰ (এন বি এছ) সংমিশ্ৰণ

'ৰাইজ-আপ টু ক্লাইমেট' শীৰ্ষক প্ৰকল্পৰ অধীনত চলা প্ৰায়োগিক গৱেষণাৰ ফলাফলসমূহে দেখুৱালে যে কেনিয়াৰ টানা নদীৰ অৱবাহিকাত (95,000 বৰ্গ কিমি) প্ৰাকৃতিক আন্তঃগাঁথনি হ'ল এনে এক গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় সম্পদ, যিয়ে জীৱিকাৰ নিৰ্বাহত সহায় কৰে, অৰ্থনৈতিক বিকাশক বৰ্তাই ৰাখে আৰু জলবায়ু পৰিৱৰ্তনৰ সতে অভিযোজন প্ৰক্ৰিয়াত সহায় কৰে। টানা নদীৰ এই অৱবাহিকা অঞ্চলত এক চিমুলেছন মডেলৰ আৰ্হি বিকাশৰ জৰিয়তে নিম্নোক্ত বিষয়সমূহ সম্পৰ্কে অনুসন্ধান কৰিব খোজা হৈছিল – বৰ্তমানে থকা আন্তঃগাঁথনিৰ পৰিৱৰ্তন তথা নতুন (যেনে – নৰ্দান ৱাটাৰ কালেক্টৰ টানেল, দা হাই গ্ৰেণ্ড ফলছ ডাম, টানা ব-দ্বীপৰ কাষত নতুন বৃহৎ জলসিঞ্চন আঁচনি স্থাপন আদি) সন্নিৰিষ্টকৰণৰ প্ৰভাৱ তথা প্ৰাকৃতিক আন্তঃগাঁথনিৰ বৰ্ধন আৰু বিকাশত অধিক বিনিয়োগৰ সুফল আদি। ইয়াক কৰিবলৈ প্ৰাকৃতিক আন্তঃগাঁথনিবোৰৰ সুফলসমূহ চিনাক্ত কৰাৰ লগতে এইবোৰৰ মূল্যায়নো কৰা হ'ল, য'ত সন্নিৰিষ্ট হ'ল এইসমূহ তথ্য : সমগ্ৰ বন্যাসমতলত ঋতু সাপেক্ষে ধৰা মাছৰ পৰিমাণ, বান পৰৱৰ্তী কৃষি, ৰিজাৰ্ভাৰ ফিছাৰী, মোহনা অঞ্চলত থকা মৎস্যপালন সুবিধাবোৰ, বন্যাসমতলত গো-চাৰণ তথা অৱবাহিকাৰ মাজেৰে সাগৰতটলৈ পলস-গেদৰ পৰিবহণ ইত্যাদি। গড় হিচাপত চাবলৈ গ'লে এই সেৱাসমূহৰ মূল্য প্ৰতি বছৰত ৬৭০ মিলিয়ন আমেৰিকান ডলাৰতকৈ অধিক, যাৰ সুফল লাভ কৰে মূলতঃ পেটে-ভাতে জীয়াই থকা, নামনি টানা অৱবাহিকাত কম মাটিৰ অধিকাৰী কৃষকসকল তথা পশুচাৰণক জীৱিকা হিচাপে লোৱা কৃষকসকলে। এই সুফলসমূহৰ অপসাৰণ বা অৱক্ষয়ৰ অৰ্থ হ'ল নামনি অৱবাহিকা অঞ্চলত ভূমি আৰু জল সম্পদৰ বাবে যি টনা-আঁজোৰা, প্ৰতিযোগিতা আছে, সেয়া অধিক বৃদ্ধি হোৱাৰ আশংকাও বৃদ্ধি পোৱা। টানা অৱবাহিকাৰ প্ৰাকৃতিক আন্তঃগাঁথনিবোৰে বৰ্তমানে নদীখনত থকা মানৱ নিৰ্মিত জল আন্তঃগাঁথনিৰ পৰা পোৱা বাৰ্ষিক গড়ে প্ৰায় ৬৩৯ মিলিয়ন আমেৰিকান ডলাৰ মূল্যৰ জল আৰু জীৱবৈচিত্ৰ্য সম্পৰ্কীত সেৱালৈকো অৱদান আগবঢ়ায়। টানা অৱবাহিকাত থকা বান্ধসমূহে যথেষ্ট লেখত লবলগীয়া মাত্ৰাত অৰ্থনৈতিক লাভ আগবঢ়ায় - বিদ্যুতৰ বিক্ৰীৰ হিচাপত বাৰ্ষিক অন্ততঃ ৬২৮ মিলিয়ন আমেৰিকান ডলাৰ, আৰু জলসিঞ্চনৰ পৰা প্ৰতি বছৰে ৯ মিলিয়ন আমেৰিকান ডলাৰ। এই অৱবাহিকাই জলবিদ্যুতৰ জৰিয়তে দেশখনৰ মুঠ ৰাষ্ট্ৰীয় বৈদ্যুতিক চাহিদাৰ ৬৫% যোগান ধৰে আৰু ৪ মিলিয়ন লোকক সামৰি নাইৰোবিৰ প্ৰায় সকলোখিনি ঘৰুৱা জল চাহিদাৰ যোগান ধৰে। ৰাইজ-আপৰ অধ্যয়নৰ ফলাফলে এটা কথা প্ৰতীয়মান কৰিছে যে, ওপৰৰ অংশত নাইৰোবি জল নিধিয়ে গ্ৰহণ কৰাৰ দৰে প্ৰাকৃতিক আন্তঃগাঁথনিত বৰ্তমান বিনিয়োগ বঢ়োৱা কাৰ্য্যই বান্ধবোৰৰ প্ৰদৰ্শন ভাল কৰাৰ লগতে জলবায়ু পৰিৱৰ্তনৰ দৰে প্ৰত্যাহ্বানমুখী ভৱিষ্যতৰ মাজতো এই সুফলবোৰক সুৰক্ষিতভাৱে ৰাইজে পোৱাটো নিশ্চিত কৰি ৰাখিব[2]।

2 https://waterandnature.org/download/wise-up-natural-built-infrastructure-infographic/

# চৰ্ত ৩: প্ৰকৃতি-আধাৰিত সমাধানে সামগ্ৰিকভাৱে জীৱবৈচিত্ৰ্য আৰু পৰিস্থিতিতন্ত্ৰৰ স্বকীয়তাক লাভান্বিত কৰে

**নিৰ্দেশনা:**

এন বি এছ সমূহক পৰিস্থিতিতন্ত্ৰৰ পৰা সামগ্ৰী আৰু সেৱা হিচাপে আহৰণ কৰা হয় আৰু সেয়ে, এইবোৰ একোটা পৰিস্থিতিতন্ত্ৰৰ সুস্থতাৰ ওপৰত অত্যন্ত নিৰ্ভৰশীল। জীৱবৈচিত্ৰ্যৰ বিলুপ্তি আৰু পৰিস্থিতিতন্ত্ৰৰ পৰিৱৰ্তনে একোটা তন্ত্ৰৰ কৰ্মশীলতা আৰু স্বকীয়তাক যথেষ্টমাত্ৰাত প্ৰভাৱিত কৰিব পাৰে। সেয়ে, এনে বি এছৰ আৰ্হি প্ৰস্তুতি আৰু ৰূপায়ণ প্ৰক্ৰিয়াত পৰিস্থিতিতন্ত্ৰ একোটাৰ স্বকীয়তাক আওকাণ কৰাটো এৰাই চলিব লাগিব আৰু তাৰ বিপৰীতে, পৰিস্থিতিতন্ত্ৰটোৰ চলনপ্ৰক্ৰিয়া আৰু আন্তঃসংযোগ ব্যৱস্থাক আৰু ব্যাপক কৰি তুলিবলৈ চেষ্টা কৰিব লাগিব। এনেকুৱা কৰিব পাৰিলে এন বি এছ একোটাৰ স্থায়িত্ব আৰু দীৰ্ঘ-কালীন সুস্থিৰতা সুনিশ্চিত কৰিব পৰা যাব।

**সূচকসমূহ:**

**৩.১. এন বি এছৰ কাৰ্য্যপন্থাবোৰে পৰিস্থিতিতন্ত্ৰ একোটাৰ সাম্প্ৰতিক অৱস্থাৰ প্ৰমাণ-সাপেক্ষ মূল্যায়নক প্ৰত্যক্ষভাৱে লক্ষ্য কৰি লয় তথা ইয়াৰ অৱক্ষয় আৰু বিলুপ্তিৰ মূল কাৰকবোৰক প্ৰত্যক্ষভাৱে সামৰি লয়**

নিৰ্দেশনা: প্ৰকৃতিৰ ব্যৱহাৰেৰে একোটা সমাধানসূত্ৰৰ বিকাশ কৰিবলৈ যাওঁতে, ব্যক্তি এজনৰ সংশ্লিষ্ট পৰিস্থিতিতন্ত্ৰটোৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কে পুংখানুপুংখ অধ্যয়ন তথা অনুধাৱন থাকিব লাগিব। এই ক্ষেত্ৰত যথাসম্ভৱ স্থানীয় জ্ঞান আৰু বৈজ্ঞানিক অনুধাৱনৰ জৰিয়তে যি আধাৰ ভিত্তিক মূল্যায়ন কৰা হ'ব, সেই মূল্যায়ন ইমান ব্যাপক হোৱাৰ দৰকাৰ যাতে ইয়াৰ সহায়ত পাৰিৱেশিক অৱস্থা, পৰিস্থিতিতন্ত্ৰৰ বিলুপ্তিৰ কাৰকবোৰ আৰু প্ৰকৃত উৎকৰ্ষসাধনৰ বাবে থকা বিকল্পবোৰক নিৰ্দিষ্ট কৰিব পৰা যায়।

**৩.২. জীৱবৈচিত্ৰ্য সংৰক্ষণ প্ৰক্ৰিয়াৰ সুস্পষ্ট আৰু পৰিমাপ কৰিব পৰা ফলাফলবোৰ চিনাক্ত কৰা, তাৰ তুলনাত্মক মূল্যায়ন কৰা আৰু সময়ে সময়ে এইবোৰৰ মূল্যায়ন কৰি থকা**

নিৰ্দেশনা: এন বি এছ একোটাৰ আৰ্হি, পৰ্য্যবেক্ষণ তথা মূল্যায়নত সহায়ক হোৱাকৈ, মুখ্য জীৱবৈচিত্ৰ্য মূল্যসমূহৰ বৃদ্ধিৰ কিছু নিৰ্দিষ্ট লক্ষ্য ঠিৰাং কৰি লোৱাটো দৰকাৰ। প্ৰতিটো এন বি এছৰ বাবে লক্ষ্যৰ ধৰণ ভিন্ন হ'ব পাৰে; উদাহৰণস্বৰূপে, পৰিস্থিতিতন্ত্ৰ একোটাত পুনৰুদ্ধাৰ কৰা এলেকাৰ শতকৰা হিচাপ বা এটা কিষ্ট'ন বা প্ৰভাৱশালী প্ৰজাতি পুনৰ দেখা পোৱাটোও লক্ষ্য হ'ব পাৰে।


**৩.৩. নিৰীক্ষণ প্ৰক্ৰিয়াত এন বি এছৰ পৰা উৎপন্ন হোৱা অনিচ্ছাকৃত বিৰূপ প্ৰতিক্ৰিয়াৰ সময়ে সময়ে হোৱা মূল্যায়নক সামৰি লোৱা হয়**

নিৰ্দেশনা: পৰিস্থিতিতন্ত্ৰবোৰ আন্তঃনিৰ্ভৰশীল উপাদান আৰু প্ৰক্ৰিয়াৰ সমষ্টিত গঠিত এক জটিল তন্ত্ৰ। গতিকে, কোনো নিৰ্দিষ্ট কাৰ্য্যপন্থা বা আন আন বাহ্যিক পৰিৱৰ্তনৰ সতে পৰিস্থিতিতন্ত্ৰৰ উপাদান আৰু প্ৰক্ৰিয়াবোৰে কিদৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া দেখুৱাব, সেই ক্ষেত্ৰত সদায়ে কিছু পৰিমাণৰ হ'লেও অনিশ্চয়তা থাকে। গতিকে, একোটা এন বি এছক এনেকুৱাকৈ প্ৰস্তুত আৰু পৰ্য্যবেক্ষণ কৰি থাকিব লাগে, যাতে সংশ্লিষ্ট সমাধানটোৱে পাৰিৱেশিক আধাৰটোক গুৰুত্বহীন কৰি তুলিব পৰা অভাৱনীয় সকলো সংকটৰ সম্ভাৱনা হ্ৰাস আৰু সম্ভৱস্থলত তাৰ নিৰাময় কৰিব পৰা যায়

**৩.৪. পৰিস্থিতিতন্ত্ৰৰ সামগ্ৰিক স্বকীয়তা আৰু সংযোগসমূহ উন্নীত কৰিব পৰা সমূহ সুযোগক চিনাক্ত কৰি এন বি এছৰ কৌশলত অন্তৰ্ভুক্ত কৰা হয়**

নিৰ্দেশনা: এন বি এছৰ সঠিক ব্যৱহাৰে জীৱবৈচিত্ৰ্যৰ সংৰক্ষণ আৰু পৰিস্থিতিতন্ত্ৰৰ ব্যৱস্থাপনাৰ প্ৰচেষ্টাসমূহক ব্যাপক কৰি তোলাৰ এনেকুৱা সুবিধা প্ৰদান কৰে যে, অকলশৰীয়াকৈ ৰূপায়ন কৰা অন্যান্য ধৰণৰ কাৰ্য্যপন্থাবোৰে (যেনে অভিযান্ত্ৰীকি) তেনে সফলতা অৰ্জন কৰিব নোৱাৰে। যদিহে সংৰক্ষণসম্পৰ্কীয় সুফলৰ বাবে সুকীয়াকৈ পৰিচালিত প্ৰাকৃতিক পৰিস্থিতিতন্ত্ৰৰ একেবাৰে কাষতে এনে সমাধানবোৰ ৰূপায়ণ কৰিবলগীয়া হয়, তেন্তে এন বি এছবোৰৰ আৰ্হি এনেকুৱাকৈ প্ৰস্তুত কৰিব লাগে যে ই পৰিস্থিতিতন্ত্ৰৰ মাজত সংযোগব্যৱস্থাক আৰু ব্যাপক কৰি তোলাত সহায় কৰে। তদুপৰি, সেইবোৰ এনেকুৱাকৈ প্ৰস্তুত কৰিব লাগে, যাতে এটা পৰিস্থিতিতন্ত্ৰৰ হেৰুৱা উপাদানবোৰক পুনঃ সংস্থাপন কৰিব পৰা যায়; উদাহৰণস্বৰূপে, এটা পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ সময়ত ইচ্ছাকৃতভাৱে আগতে থকা উদ্ভিদ প্ৰজাতিসমূহক নিৰ্বাচন কৰি পুনৰাই সেইবোৰৰ ৰোপণৰ ব্যৱস্থা লোৱা।

## জীৱবৈচিত্ৰ্যৰ সৰ্বমূঠ লাভ




**চিত্ৰ ৮ পৰিস্থিতিতান্ত্ৰিক জটিলতা আৰু পৰিস্থিতিতান্ত্ৰিক সেৱাবোৰৰ উপযুক্তকৰণ, আৰু অভিযান্ত্ৰিক পৰিস্থিতিতন্ত্ৰৰ পৰ্য্যায়ৰ মাজৰ সম্পৰ্ক ( বালিয়ান, এগাৰমণ্ট আৰু লি ৰক্সৰ পৰা লোৱা (২০১৪)**



**চিত্ৰ ৯ মেডমেৰি প্ৰকল্পৰ এক বিহংগম দৃশ্য..স্থানীয় অংশীদাৰসকলে পৰিৱেশিক সংস্থাৰ সতে বৰ্তমানে থকা শিল-বালিৰ মথাউৰিত ১১০ মিটাৰ বহল ফাঁট এটা দেখা পায়। এই ফাঁটটোৰ ফলত সাগৰৰ জোৱাৰৰ পানী পাৰৰ বসতি থকা এলেকালৈ বৈ আহি প্ৰায় ১৮৩ হেক্টৰ কালিৰ এক নতুন আন্তঃজোৱাৰীয় বসতি এলেকাৰ সৃষ্টি কৰে। © পাৰিৱেশিক সংস্থা। অপেন গৰ্ভৰ্ণমেণ্ট লাইচেন্স ভাৰ্চন ৩.০ৰ অধীনত স্বীকৃতিপ্ৰাপ্ত ৰাজহুৱা খণ্ডৰ তথ্য সন্নিবিষ্ট হৈ আছে।**

## নমুনা অধ্যয়ন : জীৱবৈচিত্ৰ্য সুফলৰ প্ৰদৰ্শন : এন বি এছ ব্যৱহাৰ কৰি কৰা বৃহৎ-মাত্ৰিক উপকূল ভূমিৰ পুনঃস্থাপনে জীৱবৈচিত্ৰ্যৰ বাবে বাসস্থলীৰ পুনৰ্নিৰ্মাণ কৰিব পাৰে

লেভি আৰু চি-ৰালৰ দৰে পাৰম্পৰিক পদ্ধতিৰ পৰা ৫০ বছৰ ধৰি আহৰণ কৰা অভিজ্ঞতাৰ পিছত, বৃটিছ চৰকাৰে সাগৰীয় বান আৰু ধুমুহাৰ সতে মোকাবিলা কৰিবৰ বাবে ই গ্ৰহণ কৰা পদ্ধতিলৈ পৰিৱৰ্তন আনিছে। মেডমেৰী প্ৰকল্পটো হ'ল উপকূলীয় অঞ্চলৰ সুৰক্ষাৰ বাবে নিৰ্মিত আন্তঃগাঁথনিৰ বৃহৎ মাত্ৰাত সুপৰিচালিতভাৱে পুনঃস্থাপনৰ তেনে এক উদাহৰণ। য'ত উপকূলীয় অঞ্চলৰ পৰিৱৰ্তন আনিবৰ বাবে উপকূলীয় প্ৰাকৃতিক উদ্ভিদকুলক আৰু আভিযান্ত্ৰিক আন্তঃগাঁথনিক নকৈ স্থাপিত কৰা কাৰ্য সাগৰতীৰৰ সুৰক্ষাৰ বাবে একেলগে ব্যৱহাৰ কৰি সফলতা পোৱা হৈছে। এই সন্মিলিত পদ্ধতিৰ প্ৰয়োগৰ ফলত পানী আৰু ভিতৰলৈকে সোমাই যায় যদিও, কাষৰীয়া চহৰাঞ্চলত বানপানী হোৱাৰ আশংকা বহুলাংশে হ্ৰাস পায় আৰু একেসময়তে, পানীয়ে বুৰোৱা অঞ্চলবোৰ ক্ৰমে বিভিন্ন প্ৰজাতিৰ জীৱকুলৰ বাসভূমি হিচাপে গঢ় লয়[3]। এই ব্যৱস্থাত অভিযন্ত্ৰিত আন্তঃগাঁথনিৰ ব্যৰ্থতাৰ পৰা শিক্ষা আহৰণ কৰিবলৈ চলোৱা পদ্ধতিগত আৰু পুনঃপুনঃ কৰা বৈজ্ঞানিক অধ্যয়নক সন্নিৱিষ্ট কৰা হৈছে। লগতে এই প্ৰকল্পৰ ব্যয়ক প্ৰাকৃতিক দুৰ্যোগৰ প্ৰভাৱত হোৱা লোকচানৰ সতে সামৰি লোৱাৰ উপৰিও অঞ্চলটোত থকা ৩৬০ জন বাসিন্দা, যি এই সম্পত্তিবোৰৰ মালিক তথা যিসকলৰ অনেকেই সাগৰতীৰৰ কৃষক, তেওঁলোকক ধৰি সকলো স্থানীয় অংশীদাৰৰ জ্ঞান আৰু অভিজ্ঞতাক প্ৰকল্পৰ ৰূপায়নৰ অংশ কৰি লোৱা হৈছে। এই পুনঃস্থাপনৰ ব্যৱস্থাক চৰকাৰ আৰু স্থানীয় অংশীদাৰ উভয়ে একেলগে পৰিচালনা কৰাৰ লগতে ইয়াত এনেকুৱা আন আন পৰীক্ষা-নিৰীক্ষা আৰু অভিজ্ঞতাৰ পৰা আহৰিত জ্ঞানকো চলি থকা ৰূপায়ণ প্ৰক্ৰিয়াত সন্নিৱিষ্ট কৰিবৰ বাবে বিশেষভাৱে সকলোপক্ষই লক্ষ্য ৰাখে।[4]।


3 Thomas, A. *Medmerry Coastal Realignment: Success for People and Wildlife*. (RSPB, unpublished)

4 Pethick, J. (2002). Estuarine and tidal wetland restoration in the United Kingdom: policy versus practice. *Restoration Ecology* 10: 431–437. https://doi.org/10.1046/j.1526-100X.2002.01033.x

# চৰ্ত ৪ : প্ৰকৃতি-আধাৰিত সমাধানসমূহ অৰ্থনৈতিকভাৱে সম্ভাৱনাময়

**নিৰ্দেশনা:**
একোটা এন বি এছৰ সফলতাৰ মুখ্য কাৰকসমূহ হ'ল – বিনিয়োগৰ বিপৰীতে হোৱা আয়, ৰূপায়িত কাৰ্য্যপন্থাৰ কুশলতা আৰু উপযুক্ততা, ইয়াৰ ব্যয় আৰু সুফলসমূহৰ বিতৰণৰ ক্ষেত্ৰত অনুসৰণ কৰা নায্যতা। এই চৰ্তটোৰ অধীনত এটা কথা সুনিশ্চিত কৰিবলৈ চেষ্টা কৰা হয় যাতে গ্ৰহণ কৰা কাৰ্য্যপন্থাটোৰ আৰ্হি প্ৰস্তুতি তথা ৰূপায়ণ – উভয় পৰ্য্যায়তে ইয়াৰ অৰ্থনৈতিক সম্ভাৱনীয়তাই যথাযথ গুৰুত্ব লাভ কৰে।
একোটা এন বি এছ বহনক্ষম হ'বলৈ হ'লে তাৰ অৰ্থনৈতিক দিশসমূহ বেছ ভালদৰে চালি-জাৰি ৰোৱা দৰকাৰ। যেনে, দীৰ্ঘকালীন (প্ৰজন্মজোৰা) লক্ষ্য আৰু পৰিকল্পনাৰ পৰিপ্ৰেক্ষিতত বিকশিত হ্ৰস্বকালীন কাৰ্য্যব্যৱস্থাৰে যথাসম্ভৱ দীৰ্ঘকালীন লাভক হ্ৰস্বকালীন ব্যয়ৰ বিপৰীতে সমতুল কৰিব লাগিব। যদিহে অৰ্থনৈতিকভাৱে সম্ভৱপৰ হয় নে নহয়, সেই কথা উপযুক্তভাৱে মন কৰা নহয়, এন বি এছ একোটা হ্ৰস্বকালীন প্ৰকল্পলৈ ৰূপান্তৰিত হোৱাৰ আশংকা থাকে, য'ত প্ৰকল্পটো বন্ধ হোৱাৰ পিছত সমাধানটো আৰু তাৰ পৰা পোৱা সুফলবোৰ নোহোৱা হৈ যায় আৰু ইয়ে সমগ্ৰ এলেকা আৰু তাত থকা বাসিন্দাসকলক আগতকৈও বিৰূপ অৱস্থাত পেলোৱাৰ সম্ভাৱনা সৃষ্টি হয়।
প্ৰকৃতিৰ মূল্য নিৰূপনৰ বাবে উদ্ভাৱনীমূলক আৰু প্ৰমাণ-আধাৰিত আহিলা তথা বজাৰ আৰু নিয়োগৰ ক্ষেত্ৰখনলৈ এন বি এছৰ অৱদানৰ বিভিন্ন ধাৰণাৰ সন্মিলিত উপস্থিতিয়ে এন বি এছত সৃষ্টিমূলক (মিশ্ৰিত) বিত্তীয় বিনিয়োগত উদ্গণি যোগায় আৰু ইয়ে এইবোৰৰ দীৰ্ঘকালীন সফলতাৰ সম্ভাৱনা বৃদ্ধি কৰে।

| সূচক: |
| --- |
| **৪.১ এন বি এছৰ সতে সম্পৰ্কিত সমূহ দিশ যেনে প্ৰত্যক্ষ আৰু পৰোক্ষ লাভ আৰু ব্যয়, কোনে ধন দিব আৰু কোনে সুফলবোৰ পাব, সেই সকলোখিনি চিনাক্ত কৰা হয় আৰু নথিভুক্ত কৰা হয়**<br>নিৰ্দেশনা: কোনো এটা কাৰ্য্যপন্থাৰ সময় সাপেক্ষে যি অৰ্থনৈতিক সম্ভাঅনীয়তা, তাৰ মূল্যায়নৰ বাবে মুখ্য উপাদানসমূহ হ'ল – উক্ত কাৰ্য্যপন্থাৰ পৰা আহৰণ কৰা মূল সুফলসমূহৰ চিনাক্তকৰণ আৰু তথ্যভুক্তি, য'ত এইবোৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ, বিত্তীয় আৰু অ-বিত্তীয় সকলো দিশক সামৰি লোৱা হয়। এই তথ্যসমূহ কোনে সুফলসমূহ লাভ কৰিব আৰু কোনে ব্যয় বহন কৰিব, সেই অনুযায়ী পৃথক কৰি ৰখা উচিত। |
| **৪.২ কোনো এক এন বি এছৰ নিৰ্বাচনক সমৰ্থন যোগাব পৰাকৈ এক ব্যয়-দক্ষতা সম্পৰ্কীয় অধ্যয়ন কৰা হয়, য'ত যিকোনো প্ৰাসংগিক বাধা-নিষেধ বা চাবচিডিৰো সম্ভাব্য প্ৰভাৱৰ বিষয়ে উল্লেখ কৰা হয়**<br>নিৰ্দেশনা: দীৰ্ঘকালীন অৰ্থনৈতিক আৰু বিত্তীয় বহনক্ষমতাৰ দিশবোৰ চালি-জাৰি নোচোৱাকৈ তাৎক্ষণিকভাৱে আগতীয়া ব্যয়ত অতিমাত্ৰা বিনিয়োগে একোটা কাৰ্য্যপন্থাৰ সম্ভাৱনীয়তাক ঋণাত্মকভাৱে প্ৰভাৱিত কৰিব পাৰে। সেয়েই ব্যয়-কুশলতাৰ অধ্যয়নে যে কেৱল সংশ্লিষ্ট প্ৰস্তাৱিত কাৰ্য্যপন্থাটো (সমূহ)ৰ সময় সাপেক্ষে আকাংক্ষিত দীৰ্ঘ-কালীন সুফলৰ বিপৰীতে আগতীয়া আৰু পুনঃ পুনঃ হ'ব লগীয়া ব্যয়ৰ এক পুংখানুপুংখ পৰীক্ষনকে সম্ভৱ কৰি তোলে তেনে নহয়, লগতে ই মুখ্য ( বা গুপ্ত) ধাৰণাসমূহককো সুস্পষ্ট, পৰীক্ষিত আৰু সত্যাপিত কৰাত সহায় কৰে। |
| **৪.৩ এন বি এছ আৰ্হি একোটাৰ কাৰ্য্যদক্ষতাক সদায় যিকোনো সম্পৰ্কিত বাহিক বিষয় সামৰি লৈ দিব পৰা সুলভ বিকল্প সমাধানৰ সতে চালি-জাৰি চোৱা হয়**<br>নিৰ্দেশনা: এন বি এছৰ এক মুখ্য বৈশিষ্ট্য হ'ল এয়ে যে, ই অন্ততঃ এটা সামাজিক প্ৰত্যাহ্বানৰ অৰ্থনৈতিক ভাৱে সম্ভাৱনাময় আৰু কুশল সমাধান উলিওৱাত সক্ষম। ইয়াৰ অৰ্থ হ'ল ৰূপায়ন কৰিবলৈ লোৱা সমাধান একোটাৰ ব্যয়-কুশলতা আৰু ব্যয়-সাধ্যতাক সম্ভাৱনাপূৰ্ণ বিকল্পৰ বিপৰীতে পৰীক্ষা কৰাটো অতীৱ দৰকাৰী। বিকল্প সমাধান বুলি ক'লে সচৰাচৰ এক ভিন্ন প্ৰকৃতি-আধাৰিত সমাধান (যেনে, বন্যাসমতল পৰিচালনাৰ পৰিৱৰ্তে জলচ্ছেদৰ জলাধাৰ ব্যৱস্থাপনা), পৰম্পৰাগত আৰু প্ৰকৃতি-আধাৰিত সমাধানৰ এক ভিন্ন সংমিশ্ৰণ অথবা প্ৰকৃতি-আধাৰিত সমাধান এটাক সম্পূৰ্ণভাৱে এক অধিক পৰম্পৰাগত উপায় যেনে অভিযান্ত্ৰিত আন্তঃগাঁথনিৰে আঁতৰাই ৰূপায়ন কৰা। |
| **৪.৪ নীতি-নিৰ্দেশনাৰ সঠিক অনুসৰণ নিশ্চিত কৰিবলৈ এন বি এছৰ আৰ্হি একোটাত সদায় বিভিন্ন ধৰণৰ সম্পদ আহৰণৰ বিকল্প যেনে বজাৰ-নিৰ্ভৰ, ৰাজহুৱা খণ্ড, স্বেচ্ছামূলক দায়িত্বগ্ৰহণ তথা কাৰ্য্যক সন্নিৱিষ্ট কৰা হয়**<br>নিৰ্দেশনা : যিহেতু এন বি এছ একোটাই বিভিন্ন অংশীদাৰক একেসময়তে বহুমুখী সুবিধা প্ৰদান কৰে,সেয়ে ইয়াৰ কিছুমান বিত্তীয় উৎসত কোনোধৰণৰ সীমাবদ্ধতাৰ সৃষ্টি হ'ব পাৰে, যিয়ে উক্ত কাৰ্য্যপন্থাৰ দীৰ্ঘকালীন সম্ভাৱনীয়তাক বিৰূপভাৱে প্ৰভাৱিত কৰিব পাৰে। উদাহৰণ স্বৰূপে, ব্যক্তিগত বিনিয়োগকাৰীসকলে হয়তো ৰাজহুৱা সামগ্ৰী উক্ত স্থানত পোৱাৰ ব্যৱস্থা কৰাত যি ব্যয় হ'ব, সেয়া দিবলৈ ৰাজী নহ'বও পাৰে অথবা চৰকাৰী কৰ্তৃপক্ষই হয়তো ব্যক্তিগতভাৱে হ'ব লগীয়া সুফলৰ ব্যয় আদায় দিবলৈ ইচ্ছা নকৰিবও পাৰে। গতিকে এনে হ'লে, বিভিন্ন বিত্তীয় পদ্ধতিক সমন্বিতভাৱে প্ৰয়োগ কৰা সম্পদ যোগান পদ্ধতি এটাৰ প্ৰয়োজন হ'ব। এনে ক্ষেত্ৰত বিনিয়োগৰ বিভিন্ন উৎসসমূহ হ'ব পাৰে এনে ধৰণৰ – ৰাজহুৱা খণ্ডৰ অনুদান, উদগনিমূলক বৰঙনি বা ইনচেণ্টিভছ আৰু কম সুতৰ ঋণ, ব্যক্তিগত খণ্ডৰ ঋণ আৰু ইকুইটী, ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব তথা সমাজসেৱামূলক আৰু স্বেচ্ছামূলক বৰঙণি তথা এই সকলোবোৰৰ সংমিশ্ৰণ, যিয়ে সম্ভাব্য শংকা (ৰিস্ক) আৰু লাভ উভয়ৰে এক সমানুপাতিক বিতৰণ নিশ্চিত কৰিব। |




**চিত্ৰ ১০ বাৰ্বাডোজত উপকূলীয় পৰিস্থিতিতন্ত্ৰত কৰা বিনিয়োগ তথা আন আন পদ্ধতিৰ অৱলম্বনৰ জৰিয়তে প্ৰাকৃতিক দুৰ্যোগ আৰু জলবায়ু পৰিৱৰ্তনৰ পৰা উপকূলীয় অঞ্চলৰ সুৰক্ষাৰ বাবে লোৱা ব্যৱস্থাসমূহৰ মূল্য-লাভৰ বিশ্লেষণ (মূলাৰ আৰু ব্ৰেচখ, ২০১৪, উৎস : ইচিএ ৱৰ্কিং গ্ৰুপ, চিচিআইএফ)**



**চিত্ৰ ১১ ফকষ্ট'ন ৰাষ্ট্ৰীয় উদ্যান, বাৰ্বাডোজ © গেৰি জে উড/ ফ্লিকাৰ**

## নমুনা অধ্যয়ন: জলবায়ু সংকটৰ বাবে এন বি এছ হিচাপে উপকূলীয় পৰিস্থিতিতন্ত্ৰৰ ব্যৱস্থাপনা[5]

জলবায়ু সংকটৰ ফলত বাৰ্বাডোজত সম্ভাব্য অৰ্থনৈতিক লোকচানৰ পৰিমাণ ২০৩০ চনৰ ভিতৰত বাৰ্ষিক ২৭৯ মিলিয়ন ইউ এছ ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে, যদিহে উক্ত সময়ছোৱাত হোৱা অৰ্থনৈতিক বিকাশৰ ফলত জমা হোৱা সম্পদৰ বৃদ্ধিয়ে সৃষ্টি কৰা সম্ভাব্য গড় বাৰ্ষিক লোকচানৰ বাবদ আনুমানিক অতিৰিক্ত ৮৪ মিলিয়ন ইউ এছ ডলাৰক ধৰা হয়। ইয়াৰ বাহিৰেও, অতিমাত্ৰা জলবায়ু পৰিৱৰ্তনৰ ফলত সৃষ্ট বিভিন্ন পৰিস্থিতি যেনে বৃদ্ধি পোৱা সাগৰপৃষ্ঠৰ উচ্চতা, অধিক গুৰুতৰ প্ৰাৱল্যৰ হাৰিকেন আৰু ভূমি অধোনমনৰ (land subsidence) দৰে সমস্যাৰ ফলত হোৱা ক্ষতিৰ পৰিমাণ ৫৬ মিলিয়ন ইউএ এছ ডলাৰক ধৰিলে ২০৩০ চনৰ ভিতৰত দেশখনৰ মুঠ আনুমানিক বাৰ্ষিক লোকচানৰ মাত্ৰা হয়গৈ ২৭৯ মিলিয়ন ইউ এছ ডলাৰ। সামগ্ৰিকভাৱে, ২০৩০ চনৰ ভিতৰত উচ্চ মাত্ৰাৰ জলবায়ু পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত এই সম্ভাব্য লোকচানৰ পৰিমাণ হ'বগৈ দেশখনৰ মুঠ জিডিপিৰ ২%ৰ পৰা ৯%ৰ ভিতৰত। এই আনুমানিক লোকচানৰ প্ৰায় এক তৃতীয়াংশতকৈও অধিক ক্ষতি দেশখনে সংকট নিৰাময়ৰ বাবে বিভিন্ন কাৰ্য্যপন্থা যেনে সমুদ্ৰতটৰ পোষণ আৰু প্ৰৱালমালা তথা মেংগ্ৰুভৰ পুনৰুদ্ধাৰৰ দৰে ব্যৱস্থাৰে এৰাই চলিব পাৰে। বাৰ্বাডোজৰ পশ্চিমৰ উপকূলত থকা ফকষ্ট'ন সাগৰীয় উদ্যানৰ সুৰক্ষা আৰু মেংগ্ৰুভৰ পুনৰুদ্ধাৰে বাৰ্ষিক মাত্ৰ ৷ মিলিয়ন ইউ এছ ডলাৰ ব্যয়ৰ বিনিময়ত বছৰি প্ৰায় ২০ মিলিয়ন ইউ এছ ডলাৰ মূল্যৰ ক্ষয়-ক্ষতি হ্ৰাস কৰিব পাৰে। ইয়াৰ লগতে এই ব্যৱস্থাত প্ৰাকৃতিক পৰিৱেশৰ পুনৰুদ্ধাৰ, প্ৰাকৃতিক বাসস্থানৰ পুনঃনিৰ্মাণ তথা পৰিৱেশ-পৰ্যটনৰ দৰে আকৰ্ষন সৃষ্টিৰ দৰে অতিৰিক্ত সুফলসমূহো পোৱা যাব। তদুপৰি, মেংগ্ৰুভ বনাঞ্চলে ধৰি ৰখা পলসৰ সহায়ত খহনীয়া হ্ৰাস হোৱাৰ লগতে ৫ ৰ পৰা ৭ মিটাৰ বা তাতকৈও অধিক উচ্চতাৰ জোৱাৰৰ ঢৌকো প্ৰতিহত কৰিব পৰাৰ ক্ষমতা সৃষ্টি হয়। অৱশ্যে, ফকষ্ট'ন সাগৰীয় উদ্যানত মেংগ্ৰুভ পুনৰুদ্ধাৰৰ বাবে যে কেৱল বিত্তীয় সম্পদেই প্ৰয়োজন হ'ব তেনে নহয়, এক মানসিকতাৰ পৰিৱৰ্তনৰো প্ৰয়োজন হ'ব — কিয়নো, সততে মেংগ্ৰুভ সমূহক ক্ষতিকাৰক বুলি ধৰি লোৱা হয় কাৰণ এইবোৰ হ'ল মহৰ বংশবৃদ্ধিৰ ঠাই, ইয়াৰ পৰা দুৰ্গন্ধ ওলাই আৰু ইয়ে সাগৰৰ কাষলে যোৱাৰ পথ বন্ধ কৰে। তদুপৰি মেংগ্ৰুভবোৰ ভালদৰে ঠন ধৰি ডাঙৰ নোহোৱালৈকে ডাঙৰ ধুমুহা, ঘূৰ্ণী আদিত এইবোৰ ভাঙি নোহোৱা হৈ যোৱাৰো সম্ভাৱনা থাকে। লগতে, যিকোনো ক্ষয়-ক্ষতি হ্ৰাস কৰিব পৰাকৈ মেংগ্ৰুভৰ সম্পূৰ্ণ কাৰ্য্যদক্ষতাৰ পৰা লাভান্বিত হ'বলৈ হ'লে মেংগ্ৰুভ অৰণ্যখন পূৰঠ হ'ব লাগিব।

5 Mueller, L. and Bresch, D. (2014). 'Economics of climate adaptation in Barbados – Facts for decision making'. In: R. Murti and C. Buyk (eds.), *Safe Havens: Protected Areas for Disaster Risk Reduction and Climate Change Adaptation*, pp.15-21. Gland, Switzerland: IUCN. https://portals.iucn.org/library/node/44887

# চৰ্ত ৫ : এন বি এছসমূহ সৰ্ব-সন্নিহিত, স্বচ্ছ আৰু সৰলীকৰণ দক্ষ প্ৰশাসনিক প্ৰক্ৰিয়াৰ ওপৰত আধাৰিত

**নিৰ্দেশনা:**

এই চৰ্তটোৱে বিচাৰে যে এন বি এছত বিভিন্ন ধৰণৰ অংশীদাৰ, বিশেষকৈ স্বত্বাধিকাৰী ৰাইজৰ প্ৰয়োজন বা চিন্তা সমূহক স্বীকৃতি দিয়া আৰু সন্নিৱিষ্ট কৰাৰ লগতে তেওঁলোকৰ সমস্যাবোৰৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰা।

প্ৰশাসনিক ব্যৱস্থাৰ সুব্যৱস্থাপনাই যে কেৱল একোটা কাৰ্য্যপন্থাৰ বহনক্ষমতাৰ প্ৰতি থকা ভাবুকি হ্ৰাস কৰে তেনে নহয়, লগতে ই এনে কাৰ্য্যপন্থাৰ ৰূপায়ণৰ বাবে ‘সামাজিক অনুজ্ঞাপত্ৰ’ৰ সম্ভাৱনাও বৃদ্ধি কৰে আৰু এই কথা ইতিমধ্যে প্ৰমাণিত হৈছে। ইয়াৰ বিপৰীতে, ভাল উদ্দেশ্যৰে ৰূপায়ণ কৰিব খোজা কামৰ ক্ষেত্ৰতো অনুপযুক্ত প্ৰশাসনিক ব্যৱস্থাপনাই পাবলগীয়া সুফলসমূহ নায্যতা আৰু ব্যয়ৰ সমানুপাতিক বিতৰণ ব্যৱস্থাক বিৰূপভাৱে প্ৰভাৱিত কৰিব পাৰে।

যিকোনো এন বি এছ একোটাই অন্ততঃ নিম্নতম প্ৰচলিত আইনী আৰু নিয়ামক ব্যৱস্থাসমূহ মানি চলাৰ লগতে এইবোৰৰ সতে খাপ খোৱা হ’ব লাগিব; আইনী দায়িত্ব আৰু দায়বদ্ধতাসমূহ কি কি, সেই দিশত স্পষ্ট হ’ব লাগিব। অৱশ্যে, প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত সততে হোৱাৰ দৰে, প্ৰাথমিক নীতিসন্মততাখিনি সদায়ে আনুষংগিক সেই সকলো ব্যৱস্থাৰ দ্বাৰা সমৰ্থিত হ’ব লাগিব, যিবোৰে স্থানীয় ৰাইজ আৰু অন্যান্য প্ৰভাৱিত অংশীদাৰসকলক সক্ৰিয়ভাৱে সংশ্লিষ্ট কামত নিয়োজিত কৰে আৰু তেওঁলোকৰ সৰলীকৰণত সহায় কৰে ।

**সূচকসমূহ :**

**৫.১ একোটা এন বি এছ কাৰ্য্যপন্থা আৰম্ভ কৰাৰ আগতেই এক সুসংজ্ঞাবদ্ধ আৰু সম্পূৰ্ণৰূপে সন্মত প্ৰতিক্ৰিয়া দাখিল আৰু অভিযোগৰ সমাধানৰ প্ৰক্ৰিয়া সকলো অংশীদাৰৰ বাবে সুলভ হ’ব লাগিব।**

নিৰ্দেশনা: প্ৰতিক্ৰিয়া দাখিল আৰু অভিযোগ সমাধান প্ৰক্ৰিয়াত যিকোনো আনুষ্ঠানিক অথবা অনানুষ্ঠানিক, অ-আইনী অভিযোগ দাখিল ব্যৱস্থা সন্নিৱিষ্ট হ’ব পাৰে, যদিহে সেই ব্যৱস্থাবোৰ অভিযোগ লোৱা আৰু সমাধান প্ৰদানৰ কোনো নিৰ্দিষ্ট পদ্ধতি, ভূমিকা আৰু নীতি-নিয়মৰ মাজেৰে পৰিচালিত হয়। কাৰ্য্যকৰী অভিযোগ সমাধান প্ৰক্ৰিয়াৰ বৈশিষ্ট্য হ’ল –প্ৰভাৱিত অংশীদাৰসকলৰ মাজত সেইবোৰৰ গ্ৰহণযোগ্যতা আৰু ন্যায়সংগতা, সেইবোৰৰ স্বচ্ছতা, সুলভতা আৰু অধিকাৰ-নিৰ্ভৰ উপায় মান্য কৰি চলাৰ প্ৰক্ৰিয়া। লগতে এইবোৰ অনুমেয় আৰু যুক্তিসংগতভাৱে প্ৰচলিত হ’ব লাগে আৰু আলোচনা-বিলোচনাৰ ওপৰত আধাৰিত হ’ব লাগে।

**৫.২ এন বি এছত অংশগ্ৰহণ সদায়ে লিংগ, বয়স অথবা সামাজিক অৱস্থান নিৰ্বিশেষে পাৰস্পৰিক সন্মান আৰু সমতাৰ ওপৰত আধাৰিত আৰু খিলঞ্জীয়া ৰাইজৰ মুক্ত, আগতীয়া আৰু তথ্যনিৰ্ভৰ অনুমতিৰ অধিকাৰক (FPIC) ই বাহাল ৰাখে।**

নিৰ্দেশনা: প্ৰশাসনিক ব্যৱস্থাসমূহ কাৰ্য্যদক্ষভাৱে চলিবৰ বাবে, সকলো অংশীদাৰে সঠিক সময়ত সঠিক তথ্য পোৱাটো নিশ্চিত কৰিব লাগিব আৰু তেওঁলোকে আগবঢ়োৱা মতামতক অৰ্থবহভাৱে অন্তৰ্ভুক্ত কৰিব লাগিব। তাকে কৰোঁতে, সচেতনভাৱে এটা কথা নিশ্চিত কৰিব লাগিব যাতে পৰম্পৰাগতভাৱে এনে কাৰ্য্য ৰূপায়ণত যিসমূহ গোটক বাদ দিয়া হয়, সেইসকল ৰাইজক গোটেই প্ৰক্ৰিয়াটোত সক্ৰিয়ভাৱে জড়িত কৰোৱা হয় আৰু সেই কাম কৰোঁতে এটা কথা মনত ৰাখিব লাগিব যাতে তেওঁলোকৰ মৰ্যাদা অক্ষুণ্ণ থাকে আৰু তেওঁলোকক অংশ ল’বলৈ উৎসাহিত কৰা হয়। বিশেষকৈ, যদিহে এন বি এছ কাৰ্য্যপন্থা একোটাৰ ৰূপায়ণ প্ৰক্ৰিয়া থলগিৰি মানুহৰ ভূমি আৰু বসতি প্ৰধান এলেকাত হয় বা এন  বি এছ কাৰ্য্যপন্থা এটাই এইসকল লোকৰ ভূমি বা বসতি অঞ্চলক প্ৰভাৱিত কৰে, তেন্তে তেওঁলোকৰ ৰূপায়ন কৰিবলগীয়া কাৰ্য্যপন্থা আৰু সম্ভাৱ্য ফলাফলসমূহ নিজাকৈ নিৰ্ধাৰণ কৰাৰ যি অধিকাৰ তেওঁলোকৰ আছে, সেয়া প্ৰতিষ্ঠিত এফ পি আই চি (FPIC) প্ৰট’কল অনুসৰি হোৱা উচিত।

**৫.৩ এন বি এছৰ দ্বাৰা প্ৰত্যক্ষভাৱে আৰু পৰোক্ষভাৱে প্ৰভাৱিত হ’বলগীয়া অংশীদাৰসকলক চিনাক্ত কৰা হয় আৰু এন বি এছ কাৰ্য্যপন্থাৰ সকলো প্ৰক্ৰিয়াতে তেওঁলোকক জড়িত কৰোৱা হয়**

নিৰ্দেশনা: অংশীদাৰী মেপিং আৰু বিশ্লেষণ প্ৰক্ৰিয়াৰ জৰিয়তে সেইসকল লোকক চিনাক্ত কৰা হয়, যি এই এন বি এছৰ দ্বাৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে, যোগাত্মক বা বিৰূপভাৱে প্ৰভাৱিত হ’ব। ইয়ে প্ৰভাৱিত হ’বলগীয়া অংশীদাৰসকলক সংশ্লিষ্ট কাৰ্য্যপন্থাৰ আৰ্হি নিৰ্মাণ আৰু ৰূপায়নকে ধৰি সকলো প্ৰক্ৰিয়াত ভাগ লোৱাৰ, তেওঁলোকক গোটেই প্ৰক্ৰিয়াটোত অংশ কৰি লোৱাৰ সুযোগ সৃষ্টি কৰাৰ লগতে তেওঁলোকৰ সকলো অধিকাৰ আৰু আগ্ৰহক বাহাল ৰাখিবলৈ সুবিধা দিয়ে আৰু প্ৰয়োজনসাপেক্ষে, তেওঁলোকৰ আৰু অধিক প্ৰান্তীয়কৰণক প্ৰতিহত কৰে।


**৫.৪ সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াত সকলো অংশগ্ৰহণকাৰী আৰু প্ৰভাৱিত অংশীদাৰৰ অধিকাৰ আৰু আগ্ৰহক নথিবদ্ধ কৰি ৰখাৰ লগতে সেইবোৰৰ প্ৰতি সঠিক প্ৰতিক্ৰিয়া দৰ্শোৱা হয়।**

নিৰ্দেশনা: এন বি এছৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত স্বচ্ছ আৰু সুগম তথ্যভুক্তিকৰণ প্ৰক্ৰিয়াৰে মুখ্য পৰ্য্যায়সমূহৰ তথ্য লিপিবদ্ধ কৰি ৰখাটো অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়ে গোটেই প্ৰক্ৰিয়াত সংশ্লিষ্ট পক্ষৰ দায়বদ্ধতা বৃদ্ধিত সহায় কৰে আৰু লগতে কোনো বিবাদ বা মতভেদৰ সৃষ্টি হ’লে, তাৰ সমাধানৰ বাবে এক শক্তিশালী আধাৰ হিচাপে কাম কৰে। এই ক্ষেত্ৰত কোনসকল অংশীদাৰে সিদ্ধান্তগ্ৰহণত উপস্থিত আছিল আৰু তেওঁলোকে কি ভূমিকা লৈছিল, সেই কথালৈ বিশেষভাৱে মনোযোগ দিয়া দৰকাৰ। এইটো বিশেষভাৱে চূড়ান্ত অসমতা বৰ্তি থকা ক্ষেত্ৰবোৰত অতি গুৰুত্বপূৰ্ণ যাতে সমগ্ৰ প্ৰক্ৰিয়াবোৰত ৰাইজৰ অৰ্থবহ আৰু কাৰ্য্যক্ষম অংশগ্ৰহণক উৎসাহিত কৰিব পৰা যায়।

**৫.৫ যদিহে এন বি এছৰ ব্যাপকতাই এটা প্ৰশাসনিক এলেকাৰ সীমা পাৰ হৈ আন প্ৰশাসনিক এলেকা স্পৰ্শ কৰে, সংশ্লিষ্ট সকলো প্ৰশাসনিক এলেকাৰ অংশীদাৰসকলে যাতে যৌথভাৱে সিদ্ধান্ত ল’ব পাৰে, তাৰ বাবে উপযুক্ত পদ্ধতি অৱলম্বন কৰা হয়।**

নিৰ্দেশনা: পৰিস্থিতিতন্ত্ৰসমূহে কোনো অৰ্থনৈতিক আৰু প্ৰশাসনিক সীমা অনুসৰণ নকৰে। প্ৰয়োজন সাপেক্ষে, সংশ্লিষ্ট কৰ্তৃপক্ষৰ মাজত আন্তঃসীমা সহযোগিতাৰ চুক্তিয়ে এন বি এছৰ পৰিকল্পনা প্ৰক্ৰিয়া আৰু ৰূপায়নক সীমা নিৰ্বিশেষে সৰল কৰি তোলে আৰু ইয়ে ৰূপায়িত কৰ্মপন্থাক সামগ্ৰিকভাৱে সদৃশ, সংহত আৰু ধাৰাবাহিক কৰি তোলাৰ লগতে আকাংক্ষিত ফলাফল লাভত সহায় কৰে।

## সমন্বিত প্ৰশাসন




চিত্ৰ ১২ এন বি এছৰ তাৎক্ষণিক আৰু দীৰ্ঘকালীন সফলতা নিৰ্ভৰ কৰে মানুহক জড়িতকৰণ, ব্যৱস্থাপনা আৰু নেতৃত্ব প্ৰদানৰ স্বচ্ছ তথা সৰ্ব-সমন্বিত প্ৰক্ৰিয়াৰ ওপৰত। © আই ইউ চি এন




চিত্ৰ ১৩ এক 'সপোন দেখা' বা ড্ৰিমিং কাৰ্যসূচীত এণ্টৱাৰ্পৰ এখন ৰৈখিক উদ্যানৰ বাবে কৰা সম্পৰীক্ষাৰ সহ-সৃষ্টি
© Stadslab 20150,Antwerp,17.09.2017

## নমুনা অধ্যয়ন: চিণ্ট এণ্ড্ৰিজত নগৰীয়া এন বি এছৰ সহযোগিতামূলক পৰিকল্পনা প্ৰস্তুতি আৰু ৰূপায়ণ


চহৰসমূহত এন বি এছৰ পৰিকল্পনা প্ৰস্তুতি আৰু ৰূপায়ণত নগৰ পৰিকল্পনাকাৰীসকল সদায়ে সহযোগিতামূলক প্ৰশাসনিক পদ্ধতিৰ প্ৰতি আগ্ৰহী হোৱা উচিত। ইয়ে কেৱল আহিঁ প্ৰস্তুতি আৰু ৰূপায়ণতহে যে বিভিন্ন ক্ষেত্ৰৰ প্ৰতিনিধি অন্তৰ্ভুক্ত হৈ থাকিব পৰা প্ৰক্ৰিয়াক সন্নিৰিষ্ট কৰে তেনে নহয়, লগতে দীৰ্ঘকালীন প্ৰেক্ষাপটত এনে বি এছক কাৰ্যকৰীকৰণ আৰু কাৰ্যক্ষম কৰি ৰাখি বাবে নতুন সাংগঠনিক ব্যৱস্থা স্থাপনৰ দিশটোও সামৰি লয়। এণ্টৱাৰ্পত, ২০৬৭ চনত জল নিৰাপত্তাৰ বাবে বিভিন্ন এন বি এছক এক সেউজ কৰিডৰৰ দ্বাৰা সংযোজিত কৰাৰ উদ্দেশ্যৰে, সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু চিণ্ট এণ্ড্ৰিজৰ বিভিন্ন জিলাৰ নাগৰিকসকলক এক 'সপোন দেখা' বা ড্ৰিমিং কাৰ্যসূচীত (dreaming exercise) জড়িত কৰে। ইয়াক প্ৰয়োগ কৰা হৈছিল পানী ধৰি ৰাখিবলৈ বিভিন্ন এন বি এছ সমাধান যেনে বায়'ছৱেল, ভিজিটেটেড ডিটছেছ উইথ প'ৰাছ বটমছ আদিৰ সন্নিৰিষ্ট কৰিব পৰাকৈ স্থান চিনাক্ত কৰিবৰ বাবে এক সম্পৰীক্ষাক একেলগে সূচনা কৰিবৰ বাবে। এই প্ৰক্ৰিয়াত বিভিন্ন ক্ষেত্ৰৰ পৰা অহা, ভিন্ন ভিন্ন অৰ্হতা আৰু ভিন্ন ভিন্ন জ্ঞান পদ্ধতিৰ পৰা অহা মানুহক সামৰি লোৱা হৈছিল আৰু তেওঁলোকৰ দৃশ্যায়ন আৰু মৌখিক মতামতসমূহ সংগ্ৰহ কৰা হৈছিল। এন বি এছৰ এই সকলোৰে সমানে অংশ লোৱা নেৰেটিভ আৰু ভিজনে স্থানীয় নিকায়সমূহৰ প্ৰতি নাগৰিকসকলৰ মনোভাৱলৈ পৰিৱৰ্তন আনিলে আৰু ফলত সংশ্লিষ্ট সকলো পক্ষৰ মনতে এন বি এছসমূহক নিজা বুলি ভবাৰ এক মনোভাব সৃষ্টি হ'ল। চিণ্ট এণ্ড্ৰিজৰ দৰে উদাহৰণবোৰৰ বিশ্লেষণৰ জৰিয়তে সহযোগিতামূলক প্ৰশাসন বনাম বিনিয়োগকাৰী চালিত প্ৰশাসন ব্যৱস্থাক চহৰাঞ্চলত এন বি এছৰ সফল ৰূপায়নৰ সাতোটা গুৰুত্বপূৰ্ণ কাৰকৰ এটা হিচাপে চিনাক্ত কৰিব পৰা হৈছে।

# চৰ্ত ৬ : এন বি এছসমূহে এইবোৰৰ প্ৰাথমিক লক্ষ্য(সমূহ)ত উপনীত হোৱা আৰু নানাবিধ সুফলৰ মাজত সমানভাৱে সমতা বৰ্তাই ৰাখে

নিৰ্দেশনা :
ভূমি আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱস্থাপনাত ট্ৰেড অফ বা বিনিময় অৱশ্যম্ভাৱী। পৰিস্থিতিতন্ত্ৰবোৰে বিভিন্ন সুফলৰ এক ভাণ্ডাৰ আমালৈ আগবঢ়াই দিয়ে আৰু সকলো লোকে ইয়াক সদৃশ ধৰণেৰে মূল্য নিদিয়ে। এনে ক্ষেত্ৰত কিছুপৰিমাণৰ এৰা-ধৰা বা বুজা-পৰা এৰাই চলাটো সম্ভৱ নহয় আৰু সেয়ে এইবোৰক কাৰ্য্যদক্ষভাৱে আৰু সমৰূপে ব্যৱস্থাপনা কৰা দৰকাৰ। এই চৰ্ত অনুসৰি প্ৰকল্পৰ প্ৰস্তাৱক পক্ষই এনে আন্তঃবিনিময় বোৰক স্বীকৃতি দিয়া দৰকাৰ আৰু এইবোৰক সময় আৰু ভৌগোলিক স্থান সাপেক্ষে সমতুল কৰি ৰাখি পৰিচালনা কৰিবলৈ হ'লে এইক্ষেত্ৰত সদায়ে এক ন্যায়সংগত, স্বচ্ছ আৰু সৰ্ব-সমন্বিত প্ৰক্ৰিয়া অনুসৰণ কৰা দৰকাৰ।
ইয়াৰ বাবে এক ভৰসাযোগ্য মূল্যায়ন তথা কিদৰেনো এই আদান-প্ৰদানক পৰিচালনা কৰা হ'ব, সেই বিষয়ে আটাইতকৈ অধিক প্ৰভাৱিত হ'বলগীয়া অংশীদাৰসকলৰ সতে সম্পূৰ্ণ তন্ন তন্নকৈ কৰা আলোচনা তথা তেওঁলোকৰ সন্মতিৰ দৰকাৰ। প্ৰস্তাৱিত কাৰ্য্যপন্থাই প্ৰভাৱিত কৰাৰ সম্ভাৱনা থকা পক্ষসমূহৰ সতে তেওঁলোকৰ স্থানীয় সুবিধা আৰু জীৱিকালৈ অহা যিকোনো ক্ষতিৰ বিনিময়ত এনে আদান-প্ৰদান আৰু ক্ষতিপূৰণ প্ৰদান প্ৰক্ৰিয়াৰ ন্যায়সংগতা আৰু নিকা আলোচনাই এক সফল দীৰ্ঘকালীন এন বি এছ পৰিণতিৰ আধাৰ হিচাপে কাম কৰে। অতিশয় গুৰুত্বপূৰ্ণ কথাটো হ'ল – এনেকুৱা বিনিময় বা আদান-প্ৰদান প্ৰক্ৰিয়াৰ নিজৰ কিছু সামাজিক আৰু পাৰিৱেশিক সীমাবদ্ধতা আছে, যাৰ বাহিৰত ভৱিষ্যতে নিৰ্দিষ্ট কিছু মূল্য বা সুবিধা নোহোৱা হৈ যাব পাৰে। ইয়াৰ অৰ্থ হ'ল – অন্য দিশবোৰৰ লগতে এনে কিছু সুৰক্ষা ব্যৱস্থাৰ অৱলম্বন কৰা দৰকাৰ যাতে এইবোৰ প্ৰক্ৰিয়াত একোটা পৰিস্থিতিতন্ত্ৰৰ যি সংহত ৰূপ সেয়া তথা পৰিস্থিতিতান্ত্ৰিক সেৱাসমূহৰ দীৰ্ঘকালীন স্থিৰতা প্ৰদানকাৰী বৈশিষ্ট্যবোৰক উলংঘা কৰা নহয়।

| সূচকসমূহ |
|---|
| **৬.১ এন বি এছ কাৰ্য্যপন্থাৰ সতে জড়িত সমূহ আদান-প্ৰদান বা বিনিময়ৰ সম্ভাব্য ব্যয় আৰু সুফলসমূহ সুস্পষ্টকৈ জনোৱা হয় আৰু এইবোৰে ল'বলগীয়া প্ৰতিৰক্ষা ব্যৱস্থা তথা যিকোনো উপযুক্ত সংশোধনী কাৰ্য্যতো সহায় কৰে।**<br>নিৰ্দেশনা: এন বি এছ একোটা বাবে কৰা সকলোখিনি আদান-প্ৰদানেই নিৰ্দিষ্ট ব্যয়সাপেক্ষ হোৱাৰ লগতে প্ৰতিটোৰে নিজা নিজা সুফল থাকে, যিবোৰ গোটেই এন বি এছটোৰ জীৱনচক্ৰত সলনি হ'ব পাৰে। এন বি এছৰ ক্ষেত্ৰত লোৱা সুৰক্ষা ব্যৱস্থাৰ এক মুখ্য কাম হ'ল – সমাজৰ আটাইতকৈ পিছপৰা অংশৰ ওপৰত এনে আদান-প্ৰদানে যাতে কোনোধৰণৰ ঋণাত্মক প্ৰভাৱ নেপেলায় অথবা এন বি এছ কাৰ্য্যপন্থাৰ পৰা হ'ব পৰা সুফলসমূহ উপভোগ কৰাৰ পৰা যাতে তেওঁলোক বঞ্চিত নহয়, সেয়া নিশ্চিত কৰা। সেই কাৰণতে এনে আদান-প্ৰদান ব্যৱস্থাৰ সমূহ ব্যৱস্থাপনাক সম্পূৰ্ণৰূপে বুজাটো, প্ৰভাৱিত হ'বলগীয়া অংশীদাৰসকলৰ সতে ব্যাপকভাৱে এই বিষয়ে আলোচনা কৰাটো আৰু সময়ে সময়ে এইবোৰৰ পুনৰীক্ষণ কৰাটো গুৰুত্বপূৰ্ণ (৬.৩) |
| **৬.২ বিভিন্ন অংশীদাৰসকলৰ ভূমি আৰু সম্পদৰ অধিকাৰ, ব্যৱহাৰ তথা সেইবোৰলৈ তেওঁলোকৰ প্ৰৱেশৰ অধিকাৰ তথা তেওঁলোকৰ দায়িত্বসমূহক সঠিককৈ স্বীকৃতি দিয়া হয় আৰু সন্মান জনোৱা হয়।**<br>নিৰ্দেশনা: ভূমি আৰু প্ৰাকৃতিক সম্পদৰ আহৰণ, ব্যৱহাৰ তথা পৰিচালনাৰ নিয়ন্ত্ৰণ সম্পৰ্কীয় আইনী আৰু গতানুগতিক অধিকাৰসমূহ, বিশেষকৈ সমাজৰ দুৰ্বল আৰু পিছপৰা গোটসমূহৰ অধিকাৰসমূহক সন্মান জনোৱা আৰু সেইবোৰ বাহাল ৰখাটো প্ৰয়োজনীয়। এন বি এছৰ প্ৰসংগত অংশীদাৰ গোটসকলৰ অধিকাৰ, ব্যৱহাৰ তথা দায়িত্বসমূহক  উপযুক্ত পদ্ধতিৰে বিশ্লেষণ তথা মূল্যায়ন কৰাটো দৰকাৰী আৰু এইক্ষেত্ৰত অংশীদাৰ সকলৰ বিশ্লেষণ আৰু মেপিঙক আধাৰ কৰি ল'বলগীয়া হয়। (৫.৩) বিশেষকৈ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ সতে এনে দিশত জড়িত হ'বলগীয়া হ'লে এয়া বিশেষভাৱে গুৰুত্বপূৰ্ণ য'ত মুক্ত, আগতীয়া আৰু তথ্যভিত্তিক সন্মতি ( FPIC)ক ব্যৱহাৰ কৰা উচিত। (৫.২) |
| **৬.৩ প্ৰতিষ্ঠিত সুৰক্ষা ব্যৱস্থাসমূহক নিয়মীয়াকৈ পুনৰীক্ষণ কৰা হয় যাতে, পাৰস্পৰিক সন্মতিক্ৰমে নিৰ্দিষ্ট কৰা আদান-প্ৰদান সীমাসমূহৰ মৰ্য্যাদা সকলোৱে বাহাল ৰাখে আৰু গোটেই এন বি এছটো দোদুল্যমান অৱস্থালৈ নাযায়।**<br>নিৰ্দেশনা:  যিবিলাক ক্ষেত্ৰত সংকট একেবাৰে এৰাই চলিব পৰা নাযায়, তেনে অৱস্থাত সুৰক্ষাসংক্ৰান্তীয় ব্যৱস্থাসমূহ থাকিব লাগে আৰু সেইবোৰক সময়ে সময়ে পুনৰীক্ষন কৰি থাকিব লাগে যাতে এন বি এছ কাৰ্য্যপন্থাৰ প্ৰতিকূল পৰিণতিসমূহক আগতীয়াকৈ অনুমান কৰি এৰাই চলিব পৰা যায়, বিশেষকৈ যিহেতু সংশ্লিষ্ট প্ৰক্ৰিয়াত জড়িত আদান-প্ৰদান বা বিনিময়সমূহত থকা অসমতা সময়সাপেক্ষে সলনি হ'ব পাৰে তথা সকলো অংশীদাৰ হয়তো সমানে প্ৰভাৱিত নহবও পাৰে।  সেয়ে, কাৰ লাভালাভ আৰু কাৰ কাৰ ব্যয়সমূহক সামৰি লোৱা হ'ব সেই বিষয়ে এন বি এছৰ আৰ্হি আৰু কৰ্মকৌশল সদায়ে সুস্পষ্ট হ'ব লাগে লগতে কেতিয়া কিদৰে সেইবোৰক পুনৰীক্ষণ কৰা হ'ব সেয়াও নিৰ্দিষ্ট হ'ব লাগে। এনে সুৰক্ষা ব্যৱস্থাবোৰ জীৱবৈচিত্ৰ্য (যেনে – সুৰক্ষাৰ বাবে এক নিৰ্দিষ্ট এলেকা আছুতীয়াকৈ থোৱা অথবা মাছ ধৰাৰ সময়ত প্ৰতিবন্ধকতা আৰোপ কৰা) আৰু মানুহৰ (প্ৰক্ৰিয়াগত – অভিযোগ দাখিল ব্যৱস্থা, আলোচনা কৰাৰ দায়বদ্ধতা, আৰ্জি দিয়াৰ অধিকাৰ অথবা চুক্তিগত, আইনী আৰু নিয়ামক ব্যৱস্থাবোৰ) বাবে থকাটো জৰুৰী। |

## সমতাৰ আদান-প্ৰদান




**চিত্ৰ ১৪ একোটা কাৰ্য্যপন্থাই সময় অনুসৰি বহন কৰা লাভ, ব্যয় আৰু সংকটক অনুধাৱন কৰাৰ ওপৰতে আদান-প্ৰদানৰ সমতা নিৰ্ভৰ কৰে। © IUCN (আই ইউ চি এন)**



**চিত্ৰ ১৫ ইলিচ সংৰক্ষণ গোটৰ সভা, বৰিশাল, বাংলাদেশ ২০১৫ ।**

**© WorldFish,Flicker (ৱৰ্ল্ডফিছ, ফ্লিকাৰ)**

## নমুনা অধ্যয়ন: শিকিবৰ বাবে ব্যৱধানৰ চিনাক্তকৰণ – বাংলাদেশত খাদ্য নিৰাপত্তা আৰু মাছ সংৰক্ষণ

বাংলাদেশত, য'ত ১১% লোকৰ জীৱিকা মীনপালনৰ ওপৰত নিৰ্ভৰশীল, তাত ইলিছ বা হিলছা মাছ হ'ল দেশখনৰ এক প্ৰধান স্থায়ী আহাৰ আৰু ই অকলেই ২০১৬ চনত দেশৰ মুঠ জিডিপিৰ ১%লৈ অৱদান যোগায়। ১৯৯০ চনৰ সময়ছোৱাত এইবিধ মাছৰ সংখ্যা দ্ৰুতভাৱে হ্ৰাস পোৱাৰ ফলত তিনি মিলিয়ন মাছমৰীয়াৰ জীৱিকালৈ ভাবুকি নামি আহে। এই মাছৰ সংখ্যা হ্ৰাসৰ কাৰক হিচাপে চিনাক্ত কৰা হৈছিল অত্যাধিক মাছ ধৰা আৰু বসতিস্থলৰ অৱক্ষয়। খাদ্য নিৰাপত্তা আৰু আৰ্থ-সামাজিক বিকাশৰ মূল সামাজিক প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ উদ্দেশ্যৰে ২০০৩ চনত ইলিছ মৎস্যপালন ব্যৱস্থাপনা কৰ্মআঁচনি আৰম্ভ কৰা হয়, য'ত সন্নিৱিষ্ট হোৱা ব্যৱস্থাবোৰ আছিল – নাৰ্ছাৰী আৰু পোনা দিবৰ বাবে সংৰক্ষিত ক্ষেত্ৰ সৃষ্টি কৰা, ইলিছৰ জনসংখ্যা পুনৰ আগৰ মাত্ৰালৈ ঘূৰাই নিবৰ বাবে অস্থায়ীভাৱে বাৰ্ষিক মাছ ধৰা বন্ধ কৰি দিয়া আৰু মৎস্য সুৰক্ষা আৰু সংৰক্ষণ আইনক বলৱৎ কৰা।


সমসাময়িকভাৱে, সকলোখিনি আদান-প্ৰদানৰ হিচাপ-নিকাচ কৰাৰ পাছত আৰু মাছধৰাৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞাৰ ফলত হ'বলগীয়া সকলো ব্যয়ক আদায় কৰিবৰ বাবে পৰিস্থিতিতান্ত্ৰিক সেৱাৰ বাবে ধন আদায় আঁচনি এখনৰ সূচনা কৰা হয়, যাৰ দ্বাৰা প্ৰভাৱিত এলেকাৰ মৎস্যজীৱী ৰাইজক মাছ ধৰাৰ পৰা বিৰত থকাৰ বিনিময়ত চাউল দিয়াৰ ব্যৱস্থা কৰা হয়। কিছু দিন পাছত, যেতিয়া মাছৰ সংখ্যা বৃদ্ধি হ'ল, ইয়ে মাছ ধৰা কাৰ্য্যৰ পৰা খাদ্য আৰু আয়- দুয়োটাই বৃদ্ধিত সহায় কৰিলে আৰু লগতে অতিৰিক্তভাৱে ঔষধ ক্ৰয় কৰিবলৈ অধিক ধনৰ যোগানৰ জৰিয়তে মানৱ স্বাস্থ্যৰ উৎকৰ্ষ সাধন তথা জলবায়ু পৰিৱৰ্তনৰ সতে মোকাবিলা কৰিব পৰাকৈ অধিক সৱল কৰি তোলা আদি সুফলো প্ৰদান কৰে। অৱশ্যে, তাৰ মাজতো কিছুমান অভাৱনীয় বিয়োগাত্মক পৰিণতি তথা জ্ঞানৰ ব্যৱধান দেখা পোৱা গৈছিল : যেনে ফিছাৰীবোৰ আশা কৰা ধৰণেৰে দ্ৰুতগতিত পুনৰুজ্জীৱিত হোৱা নাছিল, আটাইতকৈ বেছি প্ৰভাৱিত হোৱা সকলৰ খাদ্যত প্ৰটিনজাতীয় আহাৰৰ অভাৱ তথা নিষেধাজ্ঞাৰ সময়ছোৱাত মৎস্যজীৱীসকল ঋণ লবলৈ বাধ্য হোৱা আদি। প্ৰভাৱিত অংশীদাৰসকলৰ মাজতো এনে আদান-প্ৰদানৰ মাত্ৰাৰ বিশাল পাৰ্থক্য দেখা গৈছিল। লাভ আৰু ব্যয় আছিল বিভিন্ন দিশ যেনে – যোগান শৃংখলৰ কোনটো স্থানত এজন অংশীদাৰ আছে, মাছমৰীয়াসকল এনে অত্যধিক মাছধৰা এলেকাৰ উজনিলৈ আছিল নে নামনিৰ পিনে আছিল আৰু একোজন অংশীদাৰ সংশ্লিষ্ট সংৰক্ষিত এলেকাৰ কিমান ওচৰত আছে – তেনেধৰণৰ কাৰকৰ ওপৰত নিৰ্ভৰশীল। হ্ৰস্বকালীন মূল্য যেনে বজাৰত মাছৰ উভৈনদী হোৱা সময়ত মাছৰ মূল্য হ্ৰাস হোৱা আদিয়ে দীৰ্ঘকালীন প্ৰেক্ষাপটত পাবলগীয়া লাভক চেৰাই যোৱা যেন অনুভৱ হৈছিল। এনে আদান-প্ৰদানজনিত হিচাপ-নিকাচৰ পুনৰ-মূল্যায়নে এইক্ষেত্ৰত দিয়া ক্ষতিপূৰণক সালসলনি কৰিবলৈ লগা জ্ঞানৰ যোগান ধৰাৰ লগতে ক্ষুদ্ৰ বিত্ত-যোগান ব্যৱস্থাক অধিক সুচল কৰাৰ লগতে এনে ব্যৱস্থাৰ পৰা পোৱা সহায়ৰ পৰিমাণো বৃদ্ধি কৰে। ফলস্বৰূপে, মাছমৰীয়াসকল ইলিছ মাছৰ সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা কৰিবলৈ স্বেচ্ছামূলকভাৱেই আগবাঢ়ি আহিবলৈ আগ্ৰহী হৈ উঠিছিল[6]।

6 Reid, H. and Ali, L. (2019). *Ecosystem-based approaches to adaptation: strengthening the evidence and informing policy: Research results from the Incentive-based Hilsa Conservation Programme*. Bangladesh. London, UK: IIED. http://pubs.iied.org/17625IIED

# চৰ্ত ৭ : এন বি এছসমূহক প্ৰমাণৰ ওপৰত ভিত্তি কৰি অভিযোজনসম্ভৱ হোৱাকৈ ব্যৱস্থাপনা কৰা হয়

<table>
<tr>
<td rowspan="4">নিৰ্দেশনা:<br>এই চৰ্ত অনুসৰি এন বি এছৰ ৰূপায়নৰ আঁচনিত অনিশ্চয়তাৰ প্ৰতিক্ৰিয়া হিচাপে আৰু পৰিস্থিতিতন্ত্ৰৰ স্থিতিস্থাপকতা গুণক কাৰ্য্যকৰীভাৱে প্ৰয়োগ কৰাৰ এক উপায় হিচাপে অভিযোজন অনুকূল ব্যৱস্থাপনাৰ সুবিধা অন্তৰ্ভুক্ত কৰিব লাগে।<br>পৰিস্থিতিতন্ত্ৰসমূহৰ জটিল, গতিশীল তথা স্বতঃস্ফূৰ্তভাৱে নিজকে সজাই লোৱাৰ প্ৰকৃতি আদিৰ বাবে এইবোৰৰ ব্যৱস্থাপনাত কিছু পৰিমাণৰ অনিশ্চয়তা ৰৈ যোৱাটো স্বাভাৱিক। ইয়াৰ অৰ্থ হ'ল এয়ে যে, পৰিস্থিতিতন্ত্ৰৰ এক বৃহৎ স্থিতিস্থাপকতা থাকে, যিয়ে অভাৱনীয়ভাৱে আহি পৰা সামাজিক, আৰ্থিক অথবা জলবায়ু জনিত ঘটনাৰ প্ৰতি প্ৰতিক্ৰিয়া দৰ্শাবৰ ববে বিভিন্ন ধৰণৰ সুবিধা প্ৰদান কৰে।<br>অভিযোজন সম্ভৱ ব্যৱস্থাপনাৰ ভেটিটো হ'ল নিয়মীয়া পৰ্য্যবেক্ষণ আৰু মূল্যায়নে যোগান ধৰা প্ৰামানিক আধাৰটি, য'ত বৈজ্ঞানিক অনুধাৱনৰ লগতে খিলঞ্জীয়া, পৰম্পৰাগত আৰু থলুৱা জ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অভিযোজন-অনুকূল ব্যৱস্থাপনা পদ্ধতি এটাক সক্ৰিয়ভাৱে গ্ৰহণ কৰাৰ ফলত, কাৰ্য্যপন্থাটোৰ গোটেই জীৱনচক্ৰটোতে এন বি এছটো প্ৰাসংগিক হৈ ৰয় আৰু হাতত লোৱা ব্যৱস্থাটি অকামিলা হৈ পৰি থকা তথা তাত কৰা বিনিয়োগবোৰ অথলে যোৱাৰ শংকাখিনি বহুলাংশে হ্ৰাস হয়।</td>
<td>সূচকসমূহ</td>
</tr>
<tr>
<td>৭.১. এটা এন বি এছৰ কাৰ্যপৰিকল্পনা ইয়াক গ্ৰহণ কৰা কাৰ্য্যপন্থাৰ নিয়মীয়া নিৰীক্ষণ আৰু মূল্যায়নৰ বাবে ধাৰ্য কৰাৰ লগতে ইয়াৰ আধাৰ হিচাপে ব্যৱহাৰ কৰা হয়<br>নিৰ্দেশনা: একোটা এন বি এছ কাৰ্যপৰিকল্পনাত, একেবাৰে প্ৰাথমিকভাৱে এন বি এছটোৰ আঁৰৰ কাৰকসমূহ, আকাংক্ষিত ফলাফলসমূহৰ এক আটোমটোকাৰি-নিটোল বৰ্ণনা তথা গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ মাধ্যমত এইবোৰতনো কিদৰে উপনীত হোৱা যাব, সেই বিষয়ে সুস্পষ্ট ব্যাখ্যা উল্লেখ থাকে। এনে বৰ্ণনা সদায়ে প্ৰচলিত অৰ্থনৈতিক, সামাজিক তথা পাৰিৱেশিক অৱস্থাসমূহৰ তথ্য আধাৰিত হোৱাৰ লগতে এই বাহাল থকা অৱস্থাসমূহকনো কিদৰে সলনি কৰিব বুলি আশা কৰা হৈছে, সেই সম্পৰ্কে ভালদৰে উল্লেখ কৰিব লাগে।</td>
</tr>
<tr>
<td>৭.২ এক নিৰীক্ষণ আৰু মূল্যায়ন আঁচনি প্ৰস্তুত কৰা হয় আৰু গ্ৰহণ কৰা কাৰ্য্যপন্থাৰ গোটেই সময়চোৱাত সেই আঁচনিক ৰূপায়ন কৰা হয়<br>নিৰ্দেশনা: এন বি এছ কৌশল বা কাৰ্যপৰিকল্পনাই কাৰ্য্যকৰীভাৱে আকাংক্ষিত ফলাফলসমূহ দিব পাৰিছে নে নাই, তথা যি সামাজিক প্ৰত্যাহ্বানৰ সমাধানকল্পে তাক উদ্ভাৱন কৰা হৈছিল সেয়া সমাধান কৰিব পাৰিছে নে নাই আৰু লগতে তাৰ লগত জড়িত সংকট বা অনাকাংক্ষিত প্ৰভাৱে গ্ৰহণ কৰা কৌশল আৰু কাৰ্য্যপন্থাত কিবা সাল-সলনিৰ প্ৰয়োজনীয়তা দেখা দিছে নেকি – সেই সকলোখিনি চালি-জাৰি চাবলৈ নিৰীক্ষণ আৰু মূল্যায়ন পৰিকল্পনা হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ। লগতে ৰূপায়ণ কৰা এন বি এছ কৌশলৰ আন আন কাৰ্য্যপন্থা বা প্ৰক্ৰিয়াৰ সতে সংহতি আছে নে নাই, সেয়াও নিৰীক্ষন আৰু মূল্যায়ন কৌশলত সন্নিৱিষ্ট কৰা দৰকাৰ। এন বি এছ কৌশল (৭.৯.)ৰ মূল উপাদানবোৰত লক্ষ্য কৰা আৰু বাহাল থকা তাৰতম্যবোৰে এক অভিযোজন অনুকূল ব্যৱস্থাপনা প্ৰতিক্ৰিয়াৰ (adaptive management response) (৭.৩) সূচনা কৰা উচিত।</td>
</tr>
<tr>
<td>৭.৩. কাৰ্য্যপন্থাৰ ৰূপায়ণৰ সমগ্ৰ সমচোৱাত পুনঃ পুনঃ শিকিবৰ বাবে এনে এক পৰিকাঠামো প্ৰয়োগ কৰা হয়, যিয়ে অভিযোজনসম্ভৱ ব্যৱস্থাপনা সম্ভৱ কৰি তোলে<br>নিৰ্দেশনা: প্ৰমাণ আধাৰিত শিক্ষাই এন বি এছৰ ব্যৱস্থাপনাক পৰিচালিত কৰা উচিত। তদুপৰি, পুনঃ পুনঃ শিকণৰ সুযোগ অভিযোজন অনুকুল ব্যৱস্থাপনাৰ কাৰ্য্যব্যৱস্থাক সমৃদ্ধ কৰাৰ বাবে প্ৰয়োজনীয়, যাতে এন বি এছ কাৰ্য্যপন্থাসমূহক প্ৰভাৱিত কৰা কাৰকসমূহৰ বিপৰীতে সঠিক প্ৰতিক্ৰিয়া দেখুৱাব পৰা যায়। এই চৰ্তটোৰ বাবে, ৭.৯ আৰু ৭.২ত উল্লিখিত সূচকসমূহে এক নিৰৱছিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ কৰে যাতে, এন বি এছ কাৰ্য্যপন্থাটো সম্পৰ্কে শিকিব পাৰি আৰু তাক খাপ খুৱাই ল'ব পাৰি। আদৰ্শগতভাৱে, পুনঃপুনঃ শিকণ প্ৰক্ৰিয়াটোক আনুষ্ঠানিক ৰূপ দিয়া হয়, যাতে এন বি এছ কাৰ্য্যপন্থাৰ সামৰণি পৰাৰ পাছতো ই চলি থাকে।</td>
</tr>
</table>

## অভিযোজন-অনুকূল ব্যৱস্থাপনা




**চিত্ৰ ১৬ প্ৰামাণিক অভিযোজন অনুকূল ব্যৱস্থাপনাই সমাধানৰ সফল ৰূপায়ণৰ সম্ভাৱনা ব্যাপক পৰিমাণে বৃদ্ধি কৰাৰ লগতে সমাধানটিৰ দীৰ্ঘ স্থায়িত্বকো নিশ্চিত কৰে। পৰিকল্পনা প্ৰস্তুতি আৰু হাতে-কামে কৰি শিকা – এই দুই কাৰকে এক অভিযোজন অনুকূল ব্যৱস্থাপনা পদ্ধতি হাতত লোৱাৰ বাবে এক শক্তিশালী আধাৰ গঠন কৰে। © আই ইউ চি এন**



**চিত্ৰ ১৭ শ্বিনয়াংগাত ভূমি সম্পদৰ পুনৰুদ্ধাৰ আৰু কৃষি কৰ্মৰ বাবে বলধেৰে হাল বাই থকা হৈছে © এডমাণ্ড বাৰ'**

## মুনা অধ্যয়ন: শ্বিনয়াংগা

উত্তৰ পশ্চিম টানজানিয়া আৰু ভিক্ট'ৰিয়াৰ দক্ষিণত থকা শ্বিনয়াংগা (Shinyanga) নামৰ অঞ্চলটোৱে মাত্ৰ ৫০,০০০ বৰ্গ কিলোমিটাৰ এলেকাতে প্ৰায় ২.২৫ মিলিয়নতকৈও অধিক লোকক জীৱন আৰ জীৱিকাৰ সুযোগ দি আহিছে। অঞ্চলটোত জনবসতিৰ অত্যাধিক ঘনত্বৰ ফলত ভূমি নগ্নীকৰণ আৰু অৱক্ষয়ৰ সমস্যাই অতি জটিল ৰূপ ধাৰণ কৰিছে। ১৯৮৫ চনত আমদানিকৃত, নতুন প্ৰজাতিৰ গছপুলিৰ ৰোপনেৰে এক ৰাষ্ট্ৰীয় পুনৰুদ্ধাৰ আঁচনি (এই এ এছ এইছ আই) হাতত লোৱা হয়। এখন কেন্দ্ৰীয় গছপুলি নাৰ্ছাৰীৰ পৰা অঞ্চলটোৰ প্ৰায় ৭০০ গাঁৱত ১ মিলিয়নৰো অধিক এনে অথলুৱা গছৰ পুলি বিতৰণ কৰা হয়। পিছে, গোটেই কাৰ্য্যসূচীটোৱে তেনেই সামান্য সফলতাহে লাভ কৰিবলৈ সক্ষম হয়, কিয়নো কিছু কিছু স্থানত গাঁওবাসীয়ে প্ৰকল্পটোক নিজা বুলি গ্ৰহণ কৰি লোৱা নাছিল। অভিযোজন অনুকূল ব্যৱস্থাপনা পদ্ধতিৰে প্ৰকল্পটোৰ বাবে অধিক অংশগ্ৰহণভিত্তিক ব্যৱস্থা এটা হাতত লোৱা হয়, যিটো আছিল দীৰ্ঘকালীন সফলতাৰ বাবে এক অতি গুৰুত্বপূৰ্ণ দিশ। স্থানীয় গাঁওবাসীয়ে প্ৰকল্পৰ অধীনত দিয়া 'হাচি (HASHI)' গছবোৰ বিছৰা নাছিল, বিছাৰিছিল নিজৰ (প্ৰায়ভাগ থলুৱা গছৰ) সঁচহে। এইক্ষেত্ৰত উৰ্ধতমৰ পৰা নিম্নমুখী সিদ্ধান্ত ৰূপায়ণ পদ্ধতি বা টপ ডাউন এপ্ৰছে সফলতা পোৱা নাছিল কিয়নো HASHI ত স্থানীয় লোক আৰু তেওঁলোকৰ সংগঠন-অনুষ্ঠানক ৰূপায়ন প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল।

গাঁওবাসীৰ স্থানীয় দক্ষতাৰ বিকাশ তথা ভূমি সম্পদক পুনৰোজ্জীৱিত কৰাৰ প্ৰচেষ্টাসমূহক ৰাইজ আৰু তেওঁলোকৰ পৰম্পৰাগত প্ৰতিষ্ঠানসমূহৰ সতে কাম কৰি ন-ৰূপ দিয়া প্ৰচেষ্টাই নতুনকৈ অগ্ৰাধিকাৰ লাভ কৰে। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক স্থানীয় প্ৰতিষ্ঠানসমূহক উপযুক্ত মৰ্য্যদা প্ৰদানৰ মাধ্যমেৰে সফলভাৱে বনাঞ্চল পুনৰুদ্ধাৰৰ লক্ষ্যত উপনীত হোৱাৰ উপাদানসমূহ একেলগ কৰিব পৰা গ'ল। ২০০৪ চনৰ ভিতৰত ৩০০,০০০ হেক্টৰতকৈও অধিক এলেকাক পুনৰুদ্ধাৰ কৰিব পৰা গ'ল, যাৰ অৰ্থমূল্য প্ৰতি মাহে জনমূৰি ১৪ আমেৰিকান ডলাৰ। প্ৰায় প্ৰতিটো পৰিয়ালেই পুনৰুদ্ধাৰকৃত এলেকাৰ গৰাকী হ'বলৈ সক্ষম হ'ল। ভূমিহীন মানুহ আৰু মহিলা-মূৰব্বী থকা পৰিয়ালসমূহক ভূমি আৱণ্টন দিয়াৰ লগতে গোট আৰু গাঁওবিলাকে বৃহৎ আকাৰৰ পুনৰুদ্ধাৰ কৰা এলেকা লাভ কৰে। 'হাচি' প্ৰকল্পই উৰ্ধতম পক্ষৰ পৰা নিম্নমুখী কৰি জাপি দিয়া প্ৰকল্প-প্ৰক্ৰিয়াৰ পৰিৱৰ্তে এক অংশগ্ৰহণভিত্তিক পদ্ধতিৰ অৱলম্বনেৰে নতুন ব্যৱস্থা এটা আৰম্ভ কৰাত আগভাগ লয়। ১৯৮৬ চনত এখন কেন্দ্ৰীয়ভাৱে পৰিচালিত চৰকাৰী গছপুলিৰ নাৰ্ছাৰী তথা টানজানিয়াৰ 'মৰুভূমি' বুলি জনাজাত এটা অঞ্চলৰ পৰা ২০০৪ চনলৈ ১০০০তকৈও অধিক ক্ষুদ্ৰ ৰাজহুৱা আৰু ব্যক্তিগত গছপুলি নাৰ্ছাৰী স্থাপন হোৱাৰ লগতে ৩০০,০০০ হেক্টৰতকৈও অধিক এলেকাত পুনৰুদ্ধাৰকৃত কাঠনি সৃষ্টি কৰা হয়। তদুপৰি, 'হাচি' আছিল এক প্ৰক্ৰিয়া, যি এটা প্ৰকল্প হিচাপে আৰম্ভ হৈ, এটা কাৰ্য্যসূচীলৈ সলনি হ'ল আৰু অৱশেষত ই এক গণ-আন্দোলনৰ ৰূপ লয়, যিয়ে ১৯৮৬ চনৰ পৰা বৰ্তমানলৈকে (মুঠ ৩৫ বছৰ) অভিযোজন অনুকূল ব্যৱস্থাপনা প্ৰক্ৰিয়াৰে নিজৰ প্ৰাসংগিকতা বজাই ৰাখিবলৈ সক্ষম হৈছে[7]।

7 Barrow, E. (2014). '300,000 Hectares Restored in Shinyanga, Tanzania — but what did it really take to achie this restoration?'. *SAPIENS* 7(2). https://journals.openedition.org/sapiens/1542

# চৰ্ত ৮: এন বি এছসমূহ হ'ল বহনক্ষম আৰু এইবোৰক একোটা উপযুক্ত প্ৰাসংগিক বিষয়ত সৰ্বজনগ্ৰহণযোগ্য হিচাপে বিবেচনা কৰা হয়

| নিৰ্দেশনা : | **সূচকসমূহ :** |
|---|---|
| এই চৰ্ত অনুসৰি, দীৰ্ঘকালীন বহনক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি এন বি এছ কাৰ্য্যপন্থাসমূহৰ আহি প্ৰস্তুত আৰু পৰিচালনা কৰা হয় আৰু ইয়াকে কৰোঁতে বিভাগীয়, ৰাষ্ট্ৰীয় আৰু অন্যান্য আঁচনিগত পৰিকাঠামোৰ কথা মনত ৰখা হয়, সেইবোৰৰ সতে এনে কাৰ্য্যপন্থাক মিলাবলৈ চেষ্টা কৰা হয় আৰু ৰূপায়ণ কালতো এইখিনি দিশ সামৰি লয়।<br>এন বি এছক মূলসুঁতিত সন্নিবিষ্ট কৰাৰ বিভিন্ন উপায় আছে; অৱশ্যে, সেই সকলোবোৰেই কৌশলগত যোগাযোগ ব্যৱস্থা আৰু প্ৰচাৰ-প্ৰসাৰমূলক কাৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰে। এইবোৰত প্ৰচাৰৰ লক্ষ্য হিচাপে অন্তৰ্ভুক্ত কৰিব পাৰি - ব্যক্তি (যেনে – ৰাইজ, শিক্ষাবিদসকল), প্ৰতিষ্ঠানসমূহ ( যেনে – ৰাষ্ট্ৰীয় চৰকাৰী, ষ্টাৰ্ট-আপসমূহ, ব্যৱসায় আৰু নানা সংস্থা) আৰু গোলকীয় নেটৱৰ্কসমূহ (যেনে – বহনক্ষম উন্নয়নৰ লক্ষ্য, পেৰিছ চুক্তি) | **৮.১ এন বি এছৰ আহি, ৰূপায়ণ প্ৰক্ৰিয়া আৰু তাৰ পৰা শিকা পাঠসমূহক যুগান্তকাৰী পৰিৱৰ্তনৰ বাবে প্ৰচাৰ কৰা হয়**<br>নিৰ্দেশনা: যুগান্তকাৰী পৰিৱৰ্তনৰ বৈশিষ্ট্যবোৰ হ'ল – ব্যাপক মাত্ৰাত বৃদ্ধি কৰা ( আঁচনিগত বা কাৰ্য্যসূচীগতভাৱে মূলসুঁতিলৈ অনা), বিস্তাৰ কৰা (ভৌগোলিক বা বিভাগীয় স্তৰত বহলোৱা) অথবা এন বি এছটিক হুবহু ৰূপত আন ঠাইত প্ৰয়োগ কৰা। ইয়াৰ লগে লগে, এইটোও গুৰুত্বপূৰ্ণ যে, আহি প্ৰস্তুতি আৰু ৰূপায়নৰ প্ৰক্ৰিয়াত লাভ কৰা সমূহ শিক্ষাক সঠিকভাৱে ধৰি ৰাখি, তথ্যবদ্ধ কৰি ৰাখি, সেইবোৰ এনে প্ৰক্ৰিয়া একোটাক পুনৰায় ৰূপায়ন কৰাত আগ্ৰহী ব্যক্তি আৰু বিভিন্ন অংশীদাৰৰ বাবে তাক সুলভ কৰি ৰখা হয়। এই সকলৰ ভিতৰত বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰোঁতা, বিনিয়োগকাৰী আৰু নানা ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ আন আন এন বি এছ ব্যৱহাৰকাৰীসকল অন্যতম। |
| | **৮.২. এন বি এছে সুবিধাপ্ৰদানকাৰী নীতি আৰু নিয়ামক পৰিকাঠামোসমূহক অধিক মানসম্পন্ন আৰু ব্যাপক কৰি তোলে যাতে এইবোৰক গ্ৰহণ কৰা আৰু কাৰ্য্যব্যৱস্থাৰ মূলসুঁতিত এইবোৰক সামৰি লোৱাটো সহজ হয়।**<br>নিৰ্দেশনা: এন বি এছৰ ৰূপায়ন সদায় পূৰ্বৰে পৰা বাহাল থকা কিছুমান নীতি-আঁচনি, আইন আৰু বিভাগীয় নীতি-নিয়মৰ ওপৰত নিৰ্ভৰশীল, যাৰ কিছুমান স্থায়ী বা পাৰস্পৰিকভাৱে সমধৰ্মী নহ'বও পাৰে। কিছু কিছু ক্ষেত্ৰত, এৰা-ধৰা নীতি আৰু বিধিয়ে এন বি এছ একোটাক কাৰ্য্যদক্ষভাৱে আগবঢ়াই দিয়াত বাধা দিয়ে বা তাতকৈও পৰিতাপৰ কথা, প্ৰকৃততে দীৰ্ঘম্যাদী প্ৰেক্ষাপটত পাৰিস্থিতিতান্ত্ৰিক কাৰ্য্যসমূহৰ ক্ষতিলৈহে অৰিহণা যোগায়। তেনে ক্ষেত্ৰত, নিম্নোক্ত কথাবোৰ গুৰুত্বপূৰ্ণ হৈ পৰে – ক) আঁচনিগত, নিয়ামক আৰু আইনী সীমাবদ্ধতাবোৰৰ সম্পৰ্কে সচেতন হোৱা আৰু খ) স্থানীয় আৰু/অথবা ৰাষ্ট্ৰীয় সিদ্ধান্ত গ্ৰহণ কৰোঁতাপক্ষ তথা আন আন মুখ্য অংশীদাৰসকলৰ সতে আলোচনা কৰা, যাৰ দ্বাৰা এনে বাধাবোৰ চকুত পৰে আৰু সেই অনুসৰি কাৰ্য্যকৰী প্ৰতিক্ৰিয়া তথা আন আন সন্তৰপৰ সমাধান বাছি উলিয়াব পৰা যায়। |
| | **৮.৩. প্ৰাসংগিক ক্ষেত্ৰত, এন বি এছে সদায় ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া মানুহৰ অধিকাৰ বিষয়ক ঘোষণাপত্ৰ (UNDRIP)ত উল্লেখিত লক্ষ্যসমূহকে ধৰি মানৱ কল্যাণ, জলবায়ু পৰিৱৰ্তন, জীৱবৈচিত্ৰ্য আৰু মানৱাধিকাৰ আদি ৰাষ্ট্ৰীয় আৰু গোলকীয়লক্ষ্যসমূহত উপনীত হোৱাৰ বাটত অৱদান যোগায়।**<br>নিৰ্দেশনা: এন বি এছে ৰাষ্ট্ৰীয় অৰ্থনৈতিক, সামাজিক আৰু সংৰক্ষণমূলক লক্ষ্যসমূহলৈ যথেষ্ট অৱদান আগবঢ়ায় আৰু জলবায়ু পৰিৱৰ্তন, মানৱ অধিকাৰ, মানৱ বিকাশ আৰু জীৱবৈচিত্ৰ্যৰ দৰে বিষয়বোৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰক্ৰিয়াবোৰলৈ ৰাষ্ট্ৰীয় যি দায়বদ্ধতা, তাত উপনীত হোৱাত সহায় কৰে। এই আন্তঃসম্পৰ্কবোৰক সুস্পষ্ট কৰা, সেইবোৰক লিপিবদ্ধ কৰা আৰু সেইবোৰৰ প্ৰচাৰ কৰা আদি কামে এন বি এছৰ ৰূপৰেখা আৰু ভূমিকাক আৰু অধিক সৰল কৰাত সহায় কৰে, অধিক ব্যাপক ভিত্তি থকা আৰু স্থায়ী ৰাজনৈতিক দায়বদ্ধতাক সুনিশ্চিত কৰে আৰু লগতে সামাজিক সমৰ্থনো বৃদ্ধি কৰে, যাৰ ফলত গ্ৰহণ কৰিবলগীয় কাৰ্য্যপন্থাৰ দীৰ্ঘম্যাদী স্থায়িত্ব সুনিশ্চিত হয়। |

## মূলসুঁতিত সন্নিৱিষ্টকৰণ আৰু বহনক্ষমতা




**চিত্ৰ ১৮ বহনক্ষম উন্নয়ন লক্ষ্যৰ দৰে ৰাষ্ট্ৰীয় আৰু গোলকীয় দায়বদ্ধতাসমূহলৈ যেতিয়া প্ৰকৃত অৱদান আগবঢ়ায়, তেতিয়া একোটা সমাধানৰ বহনক্ষমতা ব্যাপক মাত্ৰাত বৃদ্ধি পায় © ইউ এন**



**চিত্ৰ ১৯ এল চালভাডৰৰ পাজ নদী অৱবাহিকাৰ মেংগ্ৰুভ পুনৰুদ্ধাৰকৰণ। স্থানীয় লোকসকলে আৰ্দ্ৰভূমি তথা মেংগ্ৰুভৰ ওপৰত মাছ ধৰা, কাঠ আৰু খৰিৰ বাবে নিৰ্ভৰশীল। © অৰচিবাল ৰামিৰেজ/ আই ইউ চি এন**

## নমুনা অধ্যয়ন : এল চালভাড'ৰৰ বন প্ৰত্যাহ্বান

এল চালভাড'ৰে 'বন প্ৰত্যাহ্বান'ৰ (Bonn Challenge) অন্তৰ্গত এক দায়বদ্ধতাৰ মাধ্যমত ২০৩০ চনৰ ভিতৰত ১ মিলিয়ন হেক্টৰ ভূমি পুনৰুদ্ধাৰৰ বাবে প্ৰতিজ্ঞাবদ্ধ হয়। ২০১৮ চনৰ ডিচেম্বৰ মাহত, 'ফৰেষ্ট লেণ্ডস্কেপ ৰেষ্ট'ৰেচন' (এফ এল আৰ)পদ্ধতিৰ প্ৰয়োগেৰে মুঠ ২২৭ টা ৰেষ্ট'ৰেচন প্ৰকল্পৰ দ্বাৰা মুঠ ১২২,০৯৩ হেক্টৰ এলেকা পুনৰুদ্ধাৰ প্ৰকল্পৰ অধীনলৈ আহে। ইয়াৰ লগত জড়িত হৈ থকা অন্যান্য সুফলসমূহ হ'ল – প্ৰত্যক্ষ আৰু পৰোক্ষ চাকৰি, আনুমানিক ৩,৬৪৭,০৬০ টন কাৰ্বন ডাই অক্সাইড ইকুইভেলেণ্ট নিৰ্গমন হ্ৰাস আৰু জীৱবৈচিত্ৰ্যৰ বিলুপ্তিক নোহোৱা কৰাৰ প্ৰচেষ্টাৰে সংৰক্ষিত এলেকা অথবা মুখ্য জীৱবৈচিত্ৰ্য এলেকাৰ প্ৰায় ৩২,৮৬২ হেক্টৰ এলেকা পুনৰুদ্ধাৰ কৰা হয়। এফ এল আৰে প্ৰত্যক্ষভাৱে এল চালভাড'ৰৰ মুঠ ১০ খন বেলেগ বেলেগ ৰাষ্ট্ৰীয় আঁচনি, পৰিকল্পনা আৰু কৌশললৈ অৱদান আগবঢ়ায় আৰু ইয়াৰ কাৰ্য্যাৱলীসমূহক দেশখনৰ ৰাষ্ট্ৰীয় পৰিস্থিতিতন্ত্ৰ আৰু ভূদৰ্শ পুনৰুদ্ধাৰ কাৰ্য্যসূচীৰ জৰিয়তে সহযোগ আগবঢ়োৱা হয়, যিয়ে এই ১০ খন আঁচনিৰ মাজত সমন্বয় সাধন কৰিব বিচাৰে যাতে, সময় আৰু স্থান সাপেক্ষে কাৰ্য্যাৱলীসমূহক ব্যাপক আৰু দ্ৰুত কৰি তুলিব পৰা যায়। পাৰিৱেশিক বহনক্ষমতা আৰু সংকটাপন্নতা কেবিনেট তথা ৰাষ্ট্ৰীয় পাৰিৱেশিক বহনক্ষমতা আৰু সংকটাপন্নতা পৰিষদ আদিৰ দৰে নিকায়ে এইক্ষেত্ৰত সমন্বয় সাধন, শিকণ, অভিযোজন অনুকূল ব্যৱস্থাপনা আদিৰ বাবে এক তন্ত্ৰ হিচাপে কাম কৰে আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথা এফ এল আৰক জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ প্ৰতিহত কৰাৰ এক এন বি এছ হিচাপে আনুষ্ঠানিক ৰূপ দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। এই এফ এল আৰ লক্ষ্যটি লগতে ৰাষ্ট্ৰখনৰ ইউ এন এফ চি চিৰ প্ৰতি যি ৰাষ্ট্ৰীয় দায়বদ্ধতা (জলবায়ু পৰিৱৰ্তনৰ ৰাষ্ট্ৰীয় কৰ্ম আঁচনি), তাৰো এক অংশ[8]

8 Dave, R., Saint-Laurent, C., Murray, L., Antunes Daldegan, G., Brouwer, R., de Mattos Scaramuzza, C.A., Raes, L., Simonit, S., Catapan, M., García Contreras, G. et al. (2019). *Second Bonn Challenge progress report. Application of the Barometer in 2018.* Gland, Switzerland, IUCN. https://doi.org/10.2305/IUCN.CH.2019.06.en

INTERNATIONAL UNION
FOR CONSERVATION OF NATURE

WORLD HEADQUARTERS
Rue Mauverney 28
1196 Gland, Switzerland
Tel +41 22 999 0000
Fax +41 22 999 0002
NbSStandard@iucn.org
**www.iucn.org**